

এটি

আহি-চৰিত

বা

৺ মিণাৰাম বৰুৱা।

শ্রীফণিধৰ চলিহা।



এটি

আহি-চৰিত

বা

৺ঘিণাৰাম বৰুৱা।

GOVERNMENT OF ASSAM
Call No. 215
DISTRICT LIBRARY.

শ্রীফাণিধৰ চলিহা প্রণীত

আৰু প্রকাশিত

শিৱসাগৰ

প্রথম সংস্কৰণ।

কলিকতা

৬নং কলেজ-স্কোয়াৰ সাম্য-যন্ত্রত,

সেখ আবদুল লতিফৰ দ্বাৰা মুদ্রিত।

১৮৩৪ শক।

বেচ।০ সিকি এটা মাথোন।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

উপহাৰ।

প্ৰিয়তম অনাৰেবল শ্ৰীমান পদ্মনাথ বৰুৱা

কল্যাণবৰেষু,

প্ৰিয় পদ্ম,

তুমি তোমাৰ জন্মৰে পৰা মোৰ চিনাকি। তুমি, তোমাৰ প্ৰিয়বন্ধু স্বৰ্গীয় পানীৰাম (৺পানীন্দ্ৰনাথ গগৈ) আৰু মুন্সি বাহাদুৰ আলি প্ৰভৃতি যেতিয়া লক্ষ্মীমপুৰ ইংৰাজি স্কুলত প্ৰথমে পঢ়াইক তেতিয়া মোৰ পৰম বন্ধু স্বৰ্গীয় কৃষ্ণানন্দ বুঢ়াগোহাঁই তোমালোকৰ হেড্‌মাষ্টৰ আছিল। মই তোমালোকৰ স্কুলৰ চেক্ৰেটৰি আছিলোঁ। তেতিয়া মই মাজে মাজে তোমালোকক পৰীক্ষা কৰোঁ আৰু পঢ়াওঁ। তেতিয়া তোমালোক তিনিওটী ৭, ৮ বছৰ বয়সীয়া লৰা। তোমালোক তিনিও জন যে আসামৰ সজপুত্ৰ হৈ আসামৰ নাম জিলিকাবা তেতিয়াই মই আৰু মোৰ বন্ধুৱে তাৰ ভালেমান লক্ষণ দেখোঁ, আৰু তেনে আশা কৰিছিলোঁ। শ্ৰীমান্ মুন্সি বাহাদুৰ আলিয়ে এতিয়া কি কৰিছে ভালকৈ কব নোৱাৰোঁ। ৺পানীৰাম কোমল বয়সতেই ইহ সংসাৰৰ পৰা আঁতৰি গল। তথাপি যি কেই দিন জীয়াই আছিল সেই কেই দিনতেই তেওঁ স্কুলৰ ব্যৱহাৰৰ উপযুক্ত ভাল ভাল অসমীয়া পুথি লিখি নাম চিৰস্মৰণীয় কৰিলে। তুমি আজিলৈকে যি যি কৰিছা তাত প্ৰকৃত অসমীয়া নাম

ধাৰী সকলো গৌৰৱান্বিত হব লাগে। তুমি এজন বিখ্যাত অসমীয়া গ্রন্থকাৰ, কবি, সম্পাদক, পৰীক্ষক, আসাম কাউন্সিলৰ অনাৰেবল মেম্বৰ প্রভৃতি কার্য্য কৰি দেশৰ প্রকৃত উপকাৰ সাধিছাঁ, আৰু এতিয়াও এই ব্রতত ব্রতী হৈয়েই আছাঁ; আনকি তোমাৰ নিজৰ শৰীৰৰ সুস্থতালৈ তুমি কেৰাহিকৈয়ে চোৱা নাই। তুমি আমাৰ আশাতিৰিক্ত কার্য্য কৰিলা, প্রকৃত দেশৰ উপকাৰী কার্য্য কৰিলা আৰু কৰিছা, তাৰ বাবে নো তোমাক কি বঁটা দিম? সোণ-ৰূপ প্রভৃতি তোমাৰ উপযুক্ত পুৰস্কাৰ নহব। ইয়াকে ভাবি তোমাকেই বঁটা দিবৰ কাৰণে স্বর্গীয় ঘিণাৰাম বৰুৱা তোমাৰ পিতৃ-দেৱতাৰ জীয়নী লিখি তোমাক পুৰস্কাৰ দিলোঁ। মোৰ পৰা এই উপহাৰ তুমি অৱশ্যে এপাচি সোণ-ৰূপতকৈ অধিক মূল্যৰ বুলি ভাবি গ্রহণ কৰিবাঁ। এই পুথিখনিত বহুত লাগতিয়াল কথা এৰা পৰিবও পাৰে বা অলাগতিয়াল কথা সোমাবও পাৰে, তাৰ বাবে বেয়া নাপাবাঁ। জানি-শুনি মই কোনো কথা এৰা নাই। তেনে এৰা ধৰা কিবা থাকিলে দেখুৱাই দিলে বঢ়াই টুটায়ো দিব পাৰোঁ। অৱশেষত তোমাক ইমানকে ভৰসা কৰিছোঁ, যেন এই পুথি খনিক আদৰ কৰিবাঁ আৰু আনৰো যাতে আদৰৰ পাত্র হয় তাৰো যেন চেষ্টা কৰিবাঁ।

শিৱসাগৰ, আমোলাপটী
১ মাঘ, শঁক ১৮৩৪।

তোমাৰ হিতার্থী
শ্রীফণীধৰ চলিহা।

পাতনি।

—০ঃ০—

মহাত্মা ৺ আনন্দৰাম বৰুৱাৰ জীৱন চৰিত এখনি লিখিবৰ মনেৰে পাতনি মেলোঁতে, অসমৰ এজন সুলেখক ৺লম্বোদৰ বৰাই কৈছিল যে, "সৎকাম কৰিবলৈ, ধৰমত চলিবলৈ, সমাজ আৰু দেশৰ উপকাৰ কৰিবলৈ জীৱনৰ দৃষ্টান্ত বেচি কাৰ্য্যকাৰক। * * * * * * মানুহৰ জীৱনৰ আৰ্হি অব্যৰ্থ বীজ, সি সকলো ঠাইতে গজে। * * * * বৰ ডাঙৰ মানুহৰ আৰ্হি অতি অলপ মানুহেহে লব পাৰে। সেই কাৰণে মজলীয়া মানুহৰো জীৱন-চৰিত থাকিব আৰু পঢ়িব লাগে। কোনো মানুহৰ ভালেমান সজগুণ থাকিলেই, বা তেওঁ কিছুমান ভাল কাম কৰিলেই তেওঁৰ জীৱন-চৰিত লেখা হব পাৰে।" আমাৰো সেইমত। আৰু সেই মতেৰে কাৰ্য্য কৰিবৰ মনেৰেই আজি আমি ৺ঘিণাৰাম বৰুৱাৰ জীৱন-চৰিত বাইজৰ আগলৈ আগ বঢ়ালোঁ। আমাৰ উদ্দেশ্য কিমানলৈ সাফল হৈছে সেইটী গুণগ্রাহী পাঠক সকলৰ বিচাৰাধীন।

এই পুথি লিখি থাকোঁতেই বা এই পুথি লিখাৰ কথা গম পাই অনেক গণ্য-মান্য আৰু শিক্ষিত অসমীয়া ভদ্রলোকে লেখকক প্রশ্ন কৰিছিল— "তুমি যে ৺ঘিণাৰাম বৰুৱাৰ জীৱনী লিখিছা বা লিখিব খুজিছা এইজননো কি এনে বিখ্যাত মানুহ আছিল যে তুমি তেওঁৰ চৰিত্র লিখিছা? আমি দেখোন বহুতে তেওঁৰ নামকে শুনা নাই তেওঁ আসামৰ তেনে প্রখ্যাত মানুহ নহয়, এতেকে তেওঁৰ চৰিত্র। লিখাৰ একো কাৰণ নাই। লিখিবৰ মন গলে সুবিখ্যাত আন অসমীয়াৰ জীৱনী লিখিব পাৰা দেখোন।" ৺ ঘিণাৰাম বৰুৱা আসামৰ বিখ্যাত মানুহ অর্থাৎ নাম-জলা মানুহ নহব পাৰে, কাৰণ তেওঁ ইংৰাজি এম, এ ডিগ্রি পোৱানাই, বা সংস্কৃত পঢ়ি

মহামহোপাধ্যায়ো হোৱা নাই বা চিভিল চার্ব্বিচো পাছ হোৱা নাই বা মুঞ্চিফ সদৰামিনো হোৱা নাই, বা পুথি লিখিও নাম জলোৱা নাই, নাইবা ৰাজনীতিজ্ঞ হৈ গৱর্ণমেণ্টৰ শাসন প্রণালীৰ দোষ বা আসোঁৱাহ ধৰি যতে ততে বক্তৃতা দি নাম জলোৱা নাই, হয়। এই কথা লেখকে স্বীকাৰ কৰে। তেনে সকলৰ জীৱনী লিখিবলৈ এই লেখকতৈকেও অধিক উপযুক্ত লোকৰ নিমিত্তে ৰখাই ভাল। তথাপি তেনে কোনো লোকৰ জীৱন-বৃত্তান্ত আদ্যোপান্ত জানিব পাৰিলে বা বিশ্বাসী লোকৰ পৰা সমুদায় বৃত্তান্ত পালে তাৰৈকো আগ বাঢ়িবলৈ সাহ কৰিব পাৰি। বর্ত্তমান এইজন পুৰুষৰ জীৱনী লিখাৰ ভাৰ লেখকে হাতত ললে। আছুটীয়া বা আত্তহতীয়া ঠাইত, বা যি ঠাইলৈ প্রায় মানুহ নাযায় তেনে ঠাইত এপাহি সুগন্ধি ফুল ফুলি জঁয় পৰিলে সেই ফুল পাহিৰ বাচ ৰখানিৰ নাপায়নে ?

সজবংশত জন্ম ধৰি ঘাট-মাউৰা হৈ বংশ পৰিয়াল, মিতিৰ-কুটুমৰ ভিতৰতো কোনোজনে সামৰি লওতাঁ নহলেও নিজৰ সজ স্বভাৱেৰে, সজ পৰিশ্রমেৰে আৰু অধ্যৱসায়েৰে মানুহে কেনেকৈ প্রতিপত্তি লাভ কৰিব পাৰে তাক দেখুৱাই এই গ্রন্থৰ এটি ঘাই উদ্দেশ্য। যিজন মানুহ এনে দুৰৱস্থাত পৰি নিজ জন্মভূমি কোমল বয়সতে পৰিত্যাগ কৰি লক্ষীমপুৰ যেন ঠাইলৈ গৈ—যি ঠাইলৈ ৰংপুৰৰ পৰা সেই কালত মানুহ গলে হাঁহ-পাৰ মাৰি খাই একেবাৰেই বিদায় লয়,—তেনে স্থলত ক্রমে অৱস্থাৰ উন্নতি কৰি এজন প্রধান লোক হৈ লৰা-ছোৱালী বিলাকক এনেদৰে তুলিলে তালিলে আৰু শিক্ষা দিলে যে তেওঁবিলাকৰ গুণত সকলো অসমীয়াই মোহিত হবলগীয়া হৈছে। বিশেষকৈ এইজনা পুৰুষে তেওঁৰ কন্যা কেইজনাক এনে সুশিক্ষা দিলে বা দিয়ালে আৰু এনে উপযুক্তা আৰু সুযোগ্যা কৰিলে যে নিলগত থকা আহোম-বংশৰ কুলে-

মানে শিক্ষায় নাম জলা যুবক সকলে তেওঁবিলাকৰ গুণৰ কথা শুনি বিবাহ কৰিবলৈ উৎকণ্ঠিত হৈ বিয়া কৰালে। এই কেইজনা জীয়াৰীয়ে ক্রমে ৺কৃষ্ণানন্দ বুঢ়াগোহাঁই ন্যায়শোধা ফুকন, ৰায় ৰাধাকান্ত সন্দিকৈ ৰাহাদুৰ এঃ এঃ ক, ডিপুটী মেজিষ্ট্রেট আৰু ল্যাণ্ড্ ৰিকর্ড্চৰ এচিষ্টেণ্ট্ ডাইৰেক্টৰ, শ্রীযুত সূর্য্যকান্ত বৰুৱা বি, এ, চব্ ডিপুটী কলেক্টৰ প্রভৃতিৰ ঘৰত গৃহলক্ষ্মী হৈ দিনে দিনে তেওঁবিলাকৰ স্বামীসকলৰ সুখবৰ্দ্ধন কৰিছে। এইজনা পুৰুষৰেই এজনা পুত্র অনাৰেবল শ্রীযুত পদ্মনাথ বৰুৱা। এওঁ যে এজন আসাম-আকাশৰ উজ্জল নক্ষত্র, এজন সুবিখ্যাত উচ্চশ্রেণীৰ অসমীয়া লেখক আৰু কবি এই কথা তেওঁ ভোগ কৰা সাহিত্যিক পেঞ্চন আৰু লেজিচ্লেটীভ্ কাউন্সিলৰ মেম্বৰৰ বিষয় আৰু অনাৰেবল খিতাপেই প্রমাণ কৰিছে। এতেকে যিজনা ৺ঘিণাৰাম বৰুৱাই এইদৰে নিজৰ অৱস্থা ভাল কৰিলে আৰু এনে উপযুক্ত সন্তান জন্মালে, এনে সর্ব্বগুণী কৰিলে তেওঁৰ জীৱননো আৰ্হিৰ পাত্র নহয়নে? ইয়াতো কোনো জনে লেখকৰ মতৰে ঐক্য নহলে আৰু উপায় নাই; সেইজনাৰ ওচৰত লেখকৰ ক্ষমা-ভিক্ষা কৰাৰ বাজে আন উপায় নাই।

কোনো কোনো জনে আকৌ প্রশ্ন কৰিব পাৰে যে ৺ঘিণাৰাম বৰুৱাৰ জীৱনত সকলো বিলাক গুণেই আছিলনে, দোষনো একেবাৰেই নাছিলনে? পৃথিবীত দোষ শূন্য মানুহ নাই বুলিলেও একো দোষ নাই। কিন্তু, যিজন লোকৰ সদ্গুণৰ সংখ্যা ইমান অধিক যে কেতখিনি দোষ থাকিলেও সেই বিলাক তলপৰি থাকে, কাৰণ দোষ-শূন্য মানুহ এই পৃথিবীত নাই এইটো এনেই জানিব লাগে। ইয়াৰ উপৰিও কোনো কোনো জনে এইদৰেও প্রশ্ন কৰিব পাৰে "ইয়াত লিখা কথাবিলাক যে সঁচা তাৰ প্রমাণ কি?" তাৰ উত্তৰত লেখকে ইয়াকে কব খোজে যে এই লেখ্কে নিজৰ ৬ বছৰ বয়সৰ পৰা এইজন পুৰুষৰ জীৱনৰ প্রায় সকলো ঘটনা

জানে। তাৰ পূৰ্ব্বৰ প্ৰায় ঘটনা বিলাক লেখকে নিজ মাতৃৰ (যাক এই গ্ৰন্থত "আইতা" বুলি উল্লেখ কৰা হৈছে) পৰা শুনা কথা আৰু কিছু কথা বিশ্বস্ত সূত্ৰে বিশ্বস্ত বন্ধুৰ পৰা শুনা ; প্ৰায় বিলাক কথা লেখকে নিজে জনা। কিয়নো লেখক গৱৰ্ণমেণ্টৰ কাৰ্য্যৰ উপলক্ষে ১০।১২ বছৰ লক্ষীমপুৰত আছিল বা তালৈ অহা-যোৱা কৰিছিল ; তদুপৰি লেখকৰ কেচুঁৱা কাল তাতেই কাটিছিল। আৰু লেখকে যেতিয়া যি ঠাইত আছিল তাতেই ৺ঘিণাৰাম বৰুৱাৰে নাইবা তেঁওৰ পুত্ৰ, কন্যা, জোৱাঁই প্ৰভৃতি আপোন মানুহেৰে সততে দেখা-সাক্ষাৎ কৰি আছিল। বিশেষকৈ, ৺ঘিণাৰাম বৰুৱা নিজৰ সচ্চৰিত্ৰৰ গুণে লেখকৰ মাতৃ প্ৰভৃতি আন আন সদ্বংশজাত লোকৰ ইমান প্ৰিয়পাত্ৰ হৈছিল যে লেখকৰ মাতৃয়ে এওঁক তেওঁবিলাকৰ এজন সহোদৰ তুল্য ভাবিবলৈ আদেশ কৰিছিল আৰু সেইদৰে সম্বোধন কৰিবলৈ দিছিল আৰু সেই আদেশ মতেই কাৰ্য্যও কৰা হৈছিল। গতিকে এইজন পুৰুষ সম্বন্ধে প্ৰায় সকলো কথা লেখকে জানিবৰ অনেক সুযোগ পাইছিল আৰু সেই সুযোগৰ বলেৰেই এই কাৰ্য্যত হাত দিবলৈ আগ বাঢ়িলে। ইমানতো যদি কোনোজনে লেখকৰ দোষ ধৰে তেতিয়া হলে লেখক সম্পূৰ্ণ নিঃসহায়, আৰু মাত মাতিবলৈ ঠাই নাই বুলিবও পাৰি।

শিৱসাগৰ, আমোলাপটি
১ ভাদ, শঁক ১৮৩০। } শ্ৰীফণীধৰ চলিহা।

পুঃ——ছপাবৰ ছেগ নোপোৱাত আজি চাৰি বছৰ পুথিখন হাতে-লিখা ভাগেই পৰি আছিল ; এতিয়া সেই ছেগ পাই তাক পোহৰলৈ উলিয়ালোঁ। পলম হোৱাত হওঁতে এফেৰি লাভহে হল ; এই ছেগতে কিছুমান সময়োপযোগী কথা যোগ দিয়া গল। এতিয়া সকলো দোষ এৰি বাইজে পুথিখন মৰমৰ চকুৰে চায় যেন, এই বাঞ্ছা। ইতি—

শিৱসাগৰ
মাঘ, ১৮৩৪ শঁক। } শ্ৰীফণীধৰ চলিহা।



৺ ঘিণারাম বরুবা।

PLEASE HANDLE THE BOOK CAREFULLY



এটি

আহি-চবিত

বা

৺ ঘিণাৰাম বৰুৱা।

১। আধ্যা।

আতি-গুৰি।

ব্ৰহ্মা (মান) দেশৰ ভিতৰত শ্যান প্ৰদেশ অহম বা আহোম সকলৰ আদি ঠাই। সেই প্ৰদেশত ইবিলাক টাই জাতিৰ এটা ঠাল আছিল। ৮৫০ শঁকত এই জাতিৰ খুনলুং আৰু খুনলাই নামে দুজন কোৱঁৰ উত্তৰৰ ফাললৈ উঠি আহি মুংৰিমুংৰাম নামে ঠাইত এখন ৰাজ্য পাতিলেহি। এই ঠাই

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

আসামৰ উত্তৰ-পূব চুকে পাট্‌কাই পৰ্ব্বতৰ নামনিত। এই ৰাজ্যতে দুয়ো কোৱঁৰে বহুৰচেৰেক মিলা-প্রীতিৰে ৰাজ্য চলোৱাৰ পিচত, সিবিলাকৰ মাজত ঘৰুৱা কন্দল লাগিবলৈ ধৰিলে। তাতে ককায়েক খুন্‌লুঙ্গে খং কৰি গুচি গৈ চীন দেশৰ ভিতৰৰ খেহ প্রদেশত সুকীয়াকৈ ৰাজ্য পাতিলেগৈ। তাৰ পিচত, ভায়েক খুন্‌লাই মুংৰিমুংৰামত ৪০ বছৰ ৰজাহৈ স্বৰ্গী হল। তেওঁ স্বৰ্গী হোৱাত তেওঁৰ বংশৰ ৰজাই আৰু ৪০ বছৰ ৰাজত্ব কৰিলে। তাৰ পাচত খুন্‌লাইৰ বংশ লোপ পালে। গতিকে খেহ দেশৰপৰা খুন্‌লুঙ্গৰ বংশৰ কোৱঁৰ আনি মুংৰিমুংৰামত ৰজা পতা হ'ল। আৰু তাৰে পৰা ৪০ জন ৰজাহৈ যোৱাৰ পাচত সেই বংশৰে বিখ্যাত চুকাফা কোৱঁৰ ৰাজ পাটত উঠে।

চুকাফা স্বৰ্গদেৰে ১৮ বছৰ মুংৰিমংৰামত ৰজা হোৱাৰ পাচত পূৰৰ ফালে দিগ্বিজয় কৰিবলৈ মন কৰিলে। সেই অৰ্থে ১১৫০ শঁকত তেওঁ সৈন্য-সামন্তৰে সৈতে পাট্‌কাই পৰ্ব্বত পাৰ হৈ সৌমাৰত সোমালহি। এই সৌমাৰত এতিয়া লক্ষীম্‌পুৰ আৰু শিৱসাগৰ জিলা পৰিছে। চুকাফা মহাৰজাই সৌমাৰত ভৰি দিয়েই পোনপ্রথমে মৰাণ, ৰৰাহী, মটক প্রভৃতি আদিবাসী বিলাকক ৰণত জিনি নামৰূপ, তিপাম, অভয়পুৰ, হাবুং, সিমলু-গুৰি, নামদাং এই বিলাক ঠাই দখল কৰি চৰাইদেওত নগৰ পাতিলে। তাৰ পিচত স্বৰ্গদেৰে অসীম পৰাক্রমেৰে ক্রমাৎ তেওঁৰ ৰাজ্য বঢ়াবলৈ ধৰিলে; আৰু যিমানলৈকে তেওঁৰ

ৰাজ্য বিস্তাৰিত হল, সিমানলৈকে "অসমদেশ" নামে খ্যাতি হল।

চুকাফা মহাৰজাই দেশজয় কৰিবলৈ আহোঁতে লগত থাওমংক্লিংলুন্‌মুং বুঢ়াগোহাঁই ডাঙ্গৰীয়া, থাওমুংকানঙ্গন ৰৰগোহাঁই ডাঙ্গৰীয়া, আৰু ৮ জন বিষয়াৰে সৈতে ১০৮০ জন মাটি-ৰণুৱা, ৩০০ ঘোঁৰা-ৰণুৱা আৰু দুটা হাতী আনিছিল। চৰাই-দেওত নগৰ পতাৰ পাচত, ৰাজ্য বঢ়াবৰ নিমিত্তে এই কেইজন ডাঙ্গৰীয়া, বিষয়া আৰু সৈন্য সামন্তক ভাগ-ভাগ্‌কৈ নানাফালে পঠিওৱা হৈছিল। ঘাইকৈ মৰাণ, ৰৰাহী, মটক এই কেই-জাতিক বশ কৰি ৰাখিবৰ কাৰণে ডাঙ্গৰীয়া দুজনৰ গাত ভাৰ আছিল। সেই কাৰণে, সিবিলাকে মাজে-মাজে কেইবা বছৰ-কৈয়ো এই বিলাক ঠাইত কোঁঠ পাতি থাকিবগৈ লগা হৈছিল।

চুকাফা মহাৰজা স্বৰ্গী হোৱাত তেওঁৰ পুতেক চুতেউফা কোৰঁৰ ৰাজপাটত উঠিল। এওঁৰ দিনতে আগৰ বুঢ়াগোহাঁই আৰু ৰৰগোহাঁই এই দুজন ডাঙ্গৰীয়া ঢুকুৰাত সিবিলাকৰ পুতেক থাওকৰু আৰু চাওবিনক ক্ৰমে বুঢ়াগোহাঁই ডাঙ্গৰীয়া আৰু ৰৰগোহাঁই ডাঙ্গৰীয়া পতা হ'ল। ১৩ বছৰ ৰাজপাট খাই চুতেউফা মহাৰজা স্বৰ্গী হোৱাত তেওঁৰ পুতেক চুবিন্‌ফা কোৰঁৰ ৰজা হল।

স্বৰ্গদেৱ চুবিন্‌ফাৰ দিনতে মৰাণবিলাক এবাৰ আকৌ মূৰ জোকাৰি উঠিছিল। সিহঁতক থমাই শান্ত কৰিবৰ অৰ্থে কিছু-

কালৰ নিমিত্তে স্বৰ্গদেৰে থাওকৰু বুঢ়াগোহাঁই ডাঙৰীয়াক সৈন্য-সামন্ত লগত দি মৰাণ ৰাজ্যলৈ পঠিয়ালে। আৰু, বুঢ়াগোহাঁই ডাঙৰীয়াই ভালেমান দিন মৰাণৰ লগত ৰণ কৰি অৱশেষত সিহঁতক বশ কৰিলে। কিন্তু সিহঁতক একেবাৰে শান্ত কৰিবৰ অৰ্থে ৰাজাজ্ঞা অনুসৰি ডাঙৰীয়া তাতে কিছুকালৰ নিমিত্তে বাহৰ পাতি থাকিল। এই বসতিৰ কালতে থাওকৰু বুঢ়াগোহাঁই ডাঙৰীয়া এগৰাকী ৰূপৱতী মৰাণ জীয়াৰীৰ প্ৰেমত পৰে। আৰু এই প্ৰেমৰ বান্ধ্ এবাৰ নোৱাৰি ডাঙৰীয়াই মৰাণ-বাহৰত থকাৰ কাল ক্ৰমাৎ বঢ়াই নিবলৈ ধৰিলে। অৱশেষত, সেই মৰাণ-জীয়াৰীক তেওঁ ভাৰ্য্যাৰূপে গ্ৰহণ কৰিলে। তাৰ পাচত, তাতে আৰু বছৰচেৰেক গৃহবাস কৰি থকাৰ পাচত সেই ভাৰ্য্যা আৰু তেওঁৰ গৰ্ভজাত চাওফ্ৰংডাম আৰু কুনকাই নামে দুটি পুত্ৰ-সন্তানক এৰি ডাঙৰীয়া তাতে স্বৰ্গী হ'ল।

থাওকৰু বুঢ়াগোহাঁই ডাঙৰীয়াই মৰণৰ অলপ আগেয়ে ডলৌ বাঁহৰ কানমাৰি এডালৰ গাঠি ফুটুৰাই তাৰ মাজত তেওঁৰ বিষয়ৰ চনন্দ-পত্ৰখন যতনেৰে সুমুৰাই থৈ ওপৰ-চাঙত তোলাই থৈছিল। আৰু, তেওঁৰ ভাৰ্য্যাক গুপুতে এই উপদেশ দি থৈছিল যে, কালত যেতিয়া তেওঁৰ বৰপুত্ৰ কাঁড়ীৰ লেখত পৰি খৰি যোগনিয়াৰ হব তেতিয়া যেন সদায় সি সেই কানমাৰিৰে ৰজাঘৰত খৰি যোগাব, আৰু সদায় কানমাৰি ডাল ঘৰলৈ ঘূৰাই লৈ আহিব।

থাওকৰু বুঢ়াগোহাঁই ডাঙৰীয়া স্বৰ্গী হোৱাৰ ১২ বছৰৰ

পিচত, চুখাম্‌ফা স্বৰ্গদেৱৰ দিনত চাউফ্‌ংডাম কাঁড়ীৰ লেখত পৰিল; আৰু ৰজাঘৰীয়া নিয়ম অনুসৰি তেওঁ ৰজাৰ খৰি যোগনিয়াৰ হল। এইদৰেই কিছুকাল যোৱাৰ পাচত, এদিন বিষয়া এজনে মন কৰিলে যে চাওফ্‌ংডামে সদায় খৰি থৈ কান্‌মাৰিডাল লৈ যায়। এই কথাত তেওঁৰ সন্দেহ জন্মিল, আৰু এই বিষয় ৰজাক জনোৱা হল। স্বৰ্গদেৱে চৰাৰ ডাঙ্গৰীয়া বিষয়া সকলেৰে পৰামৰ্শ কৰি স্থিৰ কৰিলে যে, সেই খৰি যোগনিয়াৰ মৰাণডেকাৰ কান্‌মাৰি আটক কৰি ফালি চাব লাগে। পাচ দিনা চাওফ্‌ংডামে খৰি যোগাই আগৰ দৰে উলটি যাবলৈ ধৰোঁতে মানুহে সৈতে কান্‌মাৰি নি ৰজাৰ আগত ভেঁটোৱাগৈ হল। স্বৰ্গদেৱে চাওফ্‌ংডামক কান্‌মাৰিৰ বিষয়ে সুধি কোনো ভাল তথ্য নাপাই কান্‌মাৰি ফালি দেখাবলৈ আজ্ঞা দিলে। পিচে, ৰাজাজ্ঞামতে কান্‌মাৰি ফালিলত তাৰ মাজৰ-পৰা থাওৰুৰু বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ চনন্দ পত্ৰখন ওলাই পৰিল!

চুবিন্‌ফা স্বৰ্গদেৱৰ দিনতে মৰাণৰ বিদ্রোহ থমাবলৈ গৈ থাওৰুৰু বুঢ়াগোহাঁই ডাঙ্গৰীয়া আৰু উলটি নাহিল; আৰু ভালেমান বছৰৰ পাচত, পিচৰ জনা স্বৰ্গদেৱ চুখাম্‌ফাৰ দিনত ডাঙ্গৰীয়া নিৰুদ্দেশ হোৱাৰ জনৰব বহুল হৈ উঠিছিল। এনে সময়ত এই সন্ধান পাই বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ বিষয়ে ৰজা আৰু বিষয়া সকলে বিশেষ তত্ত্ব লবলৈ ধৰিলে।

বিশেষ অনুসন্ধানৰ পাচত যেতিয়া গোটেই ঘটনা ভালকৈ

জনাজাত হল, তেতিয়া ৰৰগোহাঁই ডাঙ্গৰীয়া আৰু বিষয়া সকলৰ যুক্তিমতে, স্বৰ্গদেৱে থাওকৰু বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ মৰাণগাভৰু ভাৰ্য্যাক তেওঁৰ পুত্ৰ দুটিৰে সৈতে তুলি আনি ৰাজনগৰত যথা সম্মানেৰে বসতি কৰিবলৈ দিলে। তাৰ পাচত, ৺ডাঙ্গৰীয়াৰ বৰ পুতেক চাওফ্রংডাম গোহাঁইদেওক পিতৃৰ আসন দি বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ বাৰ দিয়া হ'ল; আৰু সৰু পুতেক কুন্‌কাই গোহাঁইদেওক মৰাণৰ ওপৰত মৰাণ-ডেকাবৰুৱা পতা হল। তেতিয়াৰ পৰা বুঢ়াগোহাঁই ডাঙ্গৰীয়া আৰু মৰাণ-ডেকাবৰুৱা একেটা গুৰিৰ পৰা দুটা ডাল হৈ বাঢ়িবলৈ ধৰিলে।

কুন্‌কাই মৰাণ-ডেকাবৰুৱাৰ পৰা পাঁচ পুৰুষৰ অন্তৰত লাকু মৰান-ডেকাবৰুৱাই ৰৰপাত্ৰগোহাঁই ডাঙ্গৰীয়াৰ বাৰ পাই বুদ্ধিস্বৰ্গনাৰায়ণ স্বৰ্গদেৱৰ ৰাজত্বত ঘাইমন্ত্ৰী হৈছিল; আৰু তেওঁৰ ঠাইত তেওঁৰ পুতেক লাহো গগৈদেও মৰাণ-ডেকাবৰুৱা হয়।

চুৰম্‌ফা স্বৰ্গদেৱৰ ৰাজত্বত বিখ্যাত মোমাইতামুলি ৰৰবৰুৱা স্বৰ্গীহোৱাত, লাহো মৰাণ-ডেকাবৰুৱাক তেওঁৰ ঠাইত ৰৰবৰুৱা পতা হয়; আৰু লাহো ৰৰবৰুৱাৰ পুতেক ৰূপেশ্বৰ গগৈদেৱে মৰাণ-ডেকাবৰুৱাৰ বাৰ পায়। ৰূপেশ্বৰ মৰাণ-ডেকাবৰুৱাই চুৰম্‌ফা স্বৰ্গদেৱৰ পৰা চক্ৰধ্বজসিংহ স্বৰ্গদেৱৰ দিনলৈকে তিনিজনা ৰজাৰ ৰাজত্বত বিষয় খাই স্বৰ্গী হোৱাত, তেওঁৰ ঠাইত পুতেক দেবেৰা গগৈদেও মৰাণ-ডেকাবৰুৱা হয়।

স্বৰ্গদেউ উদয়াদিত্যৰ ৰাজত্বত দেবেৰা মৰাণ-ডেকাবৰুৱাই

বৰবৰুৱাৰ বাব পোৱাত তেওঁৰ ঠাইত তেওঁৰ পুতেক আচুক গগৈদেওক মৰাণ-ডেকাবৰুৱা পতা হয়।

গদাধৰসিংহ স্বৰ্গদেৱৰ বাছনিমতে আচুক ডেকাবৰুৱা বৰ-পাত্ৰগোহাঁই ডাঙ্গৰীয়াৰ পদলৈ উঠাত, তেওঁৰ ঠাইত তেওঁৰ পুতেক হৰিনাথ গগৈদেওক মৰাণ-ডেকাবৰুৱা পতা হয়।

শিৱসিংহ স্বৰ্গদেৱৰ ৰাজত্বত ৰমানন্দক ভাঙ্গি হৰিনাথ ডেকা-বৰুৱাক বৰপাত্ৰগোহাঁইৰ বাব দিয়া হয়; আৰু তেওঁৰ ঠাইত পুতেক ভগী গগৈদেওক মৰাণডেকাবৰুৱা পতা হয়। তাৰ পাচত ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনত ভগী ডেকাবৰুৱাক তিপ-মীয়া বৰুৱাৰ পদলৈ নিয়াত, তেওঁৰ ঠাইত তেওঁৰ পুতেক ৰুদ্ৰেশ্বৰ গগৈদেওক মৰাণ-ডেকাবৰুৱা পতা হয়।

লক্ষ্মীসিংহ স্বৰ্গদেৱৰ ৰাজত্বত ৰুদ্ৰেশ্বৰ ডেকা বৰুৱাক বৰপাত্ৰ গোহাঁই ডাঙ্গৰীয়াৰ আসন দিয়াত, তেওঁৰ ঠাইত তেওঁৰ পুতেক আজোখা গগৈদেও মৰাণ-ডেকাবৰুৱা হয়। মোৱাঁমৰী-য়াৰ বিদ্ৰোহৰ সময়ত এওঁ এজন লাগতিয়াল বিষয়া আছিল; আৰু সেই সময়ত নগৰ ৰক্ষা কৰাত এওঁ পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ প্ৰধান সহায় আছিল।

আজোখা মৰাণ ডেকাবৰুৱাৰ পুতেক কিনাৰাম মৰাণ-ডেকাবৰুৱা। এওঁ মানৰ উপদ্ৰৱৰ সময়ত নিজৰ পাইক মৰাণ-কাঁড়ীবিলাকৰে সৈতে আত্মৰক্ষা আৰু ৰাজ্যৰক্ষাৰ হেতু মানসেনাৰ লগত প্ৰাণপণে যুঁজিছিল। কিন্তু, বাৰিষাৰ নৈ যেন বেগী মানসেনাৰ আক্ৰোশৰ আগত ঠাৱৰিব নোৱাৰি মৰাণ-

পাইক বিলাক উটি যোৱা দি গল। কিণাৰাম ডেকা-বৰুৱা মানৰ হাততে কটা গল।

কিণাৰাম মৰাণ-ডেকাবৰুৱাৰ পুতেক কাণুৰাম আৰু ঘিণাৰাম। এই ঘিণাৰাম ডেকা-বৰুৱাই আমাৰ এই ক্ষুদ্ৰ গ্ৰন্থৰ নায়ক। এওঁ কেনেকৈ নিজৰ বুদ্ধি, বল, কৌশল, অধ্যৱসায়, আত্মনিৰ্ভৰ আৰু সজ চৰিত্ৰৰ বলেৰে অশেষ দুখ-কষ্টৰ বিপদীয়া সংসাৰৰ মাজেদি সৰকি এজন স্বনামখ্যাত মহৎলোক হৈ উঠিছিল, তাৰ সংক্ষেপ বিৱৰণ এই পুথিত লিখা হব।

২। আধ্যা।

—:০:—

লৰা-কাল।

৺ ঘিণাৰামৰ জন্মতে বিপদ। ১৭৪৫ শকত বা ১৮২৪ খ্ৰীষ্টাব্দত যেতিয়া জাঁজি জকাইচুক মৌজাৰ বামুণ-মৰাণ গাওঁত তেওঁৰ জন্ম হয়, তেতিয়া অসমত মানৰ তৃতীয়বাৰৰ আক্ৰমণ হৈ আছিল। আৰু, তেওঁৰ জন্মৰ ছমাহৰ আগতে দেউতাক কিণাৰাম ডেকাবৰুৱা মানৰ হাতত কটা যোৱাৰ কথা ওপৰত উনুকিয়াই অহা হৈছে।

৺ ঘিণাৰামৰ আইতাকৰ নাম মাকৰী। তেও গৰ্ভৱতী অবস্থাত মান-ভগনৰ অশেষ যন্ত্ৰণা ভুঞ্জিব লগা হৈছিল। আৰু ঘিণাৰামৰ ছমহীয়াতে তেওঁৰ পৰলোক হয়। মাউৰা ঘিণাৰামে

চুচৰি গৈ উলিয়াই থোৱা মাকৰ শৰৰ বুকুত উঠি পিয়াহ খাইছিল !

পিতৃ-মাতৃ বিয়োগৰ পাচত, ঘিণাৰামক বুঢ়ীমাকে তুলি-তালি ডাঙ্গৰ কৰে। তেওঁ নাতিয়েকক বৰ মৰম কৰিছিল। এনে কি, ঘিণাৰামে কাৰৈমাছ বৰ ভালপায় কাৰণে তেওঁ চুবুৰীত সেই মাছৰ খোজনিয়াৰ আছিল। আৰু, উমলি ফুৰোঁতেও ল'ৰাৰ ওপৰত তেওঁ চকু ৰাখিছিল। এই দৰে তুলি-তালি ঘিণা-ৰামক বাৰ বছৰীয়া কৰি বুঢ়ীমাক ঢুকাল। সেই দিনাৰ পৰাহে ঘিণাৰাম ঘাট-মাউৰা হল।

বুঢ়ীমাক ঢুকুৰাৰ পাচত, ককায়েক কাণুৰামে ভায়েকক বৰ মৰম কৰিছিল। এনে কি ওমলোঁতে সমনীয়া ল'ৰাৰে সৈতে খুটীয়া-খুটি লাগি ভায়েকে কান্দিলেও তেওঁ সহিব নোৱাৰিছিল। এই দৰেই ককায়েকৰ আদৰত ঘিণাৰাম আলসুৱা হৈ উঠিছিল।

সকৰেপৰা ঘিণাৰামৰ সাহ-পিত, বুদ্ধি-কৌশলৰ চিনাকি পোৱা গৈছিল। সমনীয়া ল'ৰাবিলাকৰ ভিতৰত তেওঁ সকলো কামতে ঘাই আছিল। জাপ মৰা, লৰ মৰা, সাঁতোৰা, গছত উঠা এইবোৰ কামত তেওঁ আটাইত্‌কৈ আগ। কোনো ভয় লগা বা বলে নোৱৰা কামলৈকো তেওঁ আগ। সেই কাৰণে সমনীয়া ল'ৰাবিলাকে ঘিণাৰামক সকলো বিষয়তে ঘাই পাতি লৈছিল।

কিন্তু ঘিণাৰামে সুখেৰে লৰাকাল সৰহ দিন নিয়াৰ নোৱা-ৰিলে। ককায়েকে বিয়া কৰোৱাৰ পাচৰপৰা খোৱা-লোৱাত তেওঁৰ দুখ হবলৈ ধৰিলে। আৰু, লাহে লাহে ফটা তিয়নী

আৰু গেলা পঁইতাৰো তেওঁ আটকত পৰা হল। তদুপৰি বৌৱেকৰ চোকা মাতে তেওঁক বৰকৈ বিন্ধিবলৈ ধৰিলে। ঘিণাৰামৰ ভাত-কাপোৰৰ দুখলৈ ককায়েকে মন কৰিও তাৰ প্রতিকাৰ কৰিব নোৱাৰে, গতিকে তেওঁ দেখিও নেদেখা, শুনিও নুশুনাৰ ভাও জুৰিবলৈ ধৰিলে। কিন্তু, তেজীমনা ঘিণাৰামৰ পক্ষে এই বিলাক অত্যন্ত অসহনীয় হল। তেওঁ ককায়েকৰ লগ এৰি নিজৰ পৰিশ্রমেৰে নিজে কেনেকৈ প্রবর্ত্তিব পাৰে তাৰে উপায় আলচিবলৈ ধৰিলে।

গদাধৰ শর্ম্মাবৰুৱা এজন চুবুৰীয়া ডেকা। এওঁ কিণাৰাম ডেকাবৰুৱাৰ এজন প্রিয়বন্ধু ৺ পদ্মধৰ শর্ম্মাবৰুৱাৰ পুতেক। সেই কাৰণে মাউৰা ঘিণাৰামক তেওঁ বৰ মৰম কৰিছিল। ঘিণাৰামেও আদৰ পায় দেখি টানে-আপদে তেওঁৰ কাষ চাপেগৈ। ককায়েকৰ লগত থাকি পোৱা দুখ-কষ্ট নিতান্ত অসহনীয় হোৱাত সেই বিষয়ে উপায়-বুদ্ধি সুধিবৰ নিমিত্তে তেওঁ প্রিয়বন্ধু গদাধৰ শর্ম্মাৰ ওচৰ চাপিলগৈ। গদাধৰ শর্ম্মাৰ পিতাক ৺ পদ্মধৰ শর্ম্মাবৰুৱা সেই সময়ত উত্তৰ লক্ষীমপুৰত পুলিচৰ দাৰোগা হৈছিল গৈ। আৰু তাতে তেওঁ "বামুণ দাৰোগা" নামে প্রখ্যাত আছিল। গদাধৰে সেই সময়ত পিতাকৰ ওচৰলৈ যাবলৈ ওলাইছিল। এনে সুযোগতে ঘিণাৰামে ককায়েকৰ লগ এৰিবলৈ চল পালে, আৰু সেই বন্ধুৰ লগত তেওঁ লাহেকৈ উত্তৰ পৰীয়া হ'ল।

৩। আধ্যা।

পৰৰ ঘৰত।

"বামুণ দাৰোগা" পদ্মধৰ শৰ্ম্মাবৰুৱা লক্ষীমপুৰত এজন নামজলা মানুহ আছিল। সেই কালৰ আৰু এজন নামজলা ডাঙ্গৰ মানুহ ৺কেশীৰাম চলিহা পুৰণি মেলিয়া বৰুৱাৰ (লেখকৰ পিতৃ) বাৰীতে দাৰোগাই ঘৰ লৈছিল। চলিহা বৰুৱা তেতিয়া কলেক্টৰী পেস্কাৰ আছিল আৰু তেওঁ "কেশী পেস্কাৰ" নামেহে লক্ষীমপুৰত বেচি প্ৰখ্যাত।

জাঁজিৰ পৰা খোজকাঢ়ি তিনদিনে গদাধৰ আৰু ঘিণাৰাম লক্ষীমপুৰ ওলালগৈ। ইবিলাক যেতিয়া "বামুণ দাৰোগা"ৰ ওচৰত থিয় হলগৈ তেতিয়া তেওঁ ঘিণাৰামক দেখি আচৰিত হ'ল, আৰু আনন্দত নিজৰ পুতেকলৈকো কাণ নকৰি ঘিণাৰামক তেওঁ গৰামাৰি ধৰিলেগৈ। তাৰ পিচত কুশল-মঙ্গলৰ দুইচাৰিটা কথা সুধি তেওঁ দুইকো দুহাতে ধৰি ভিতৰলৈ লৈ গল।

দিনচেৰেক আলহীভাৱে যোৱাৰ পাচত, "বামুণ দাৰোগা"ই পুতেকৰ মুখে ঘিণাৰামৰ বিষয়ে সকলো শুনিলে। আৰু তেওঁৰ প্ৰিয়বন্ধু ৺কিণাৰাম ডেকাবৰুৱালৈ মনত কৰি তেওঁ বহুত বেজাৰ কৰিলে। তাৰ পাচত তেওঁৰ ঘৰৰ সকলোকে এইদৰে বুজাই কলে "হাঁয়, কেনে মানুহৰ লৰা কেনে অৱস্থাত পৰিছে। তহঁতে ঘিণাই গগৈদেওক পৰ যেন নেদেখিবি।

সকলো কথাতে তেৱোঁ আমাৰ পৰিয়ালৰ ভিতৰৰ এটি বুলি ভাবিবিহঁক। মাউৰা ল'ৰা অলপতে বেজাৰ পাব পাৰে। ল'ৰাই কোনো কথাত বেজাৰ পালে মই বৰ বেজাৰ পাম।" ইয়াৰ পাচৰপৰা "বামুণ দাৰোগাৰ" পুতেকহঁতৰে সৈতে আপোন ভাই-ককাইৰ দৰে ঘিণাৰামে সুখেৰে দিন নিয়াবলৈ ধৰিলে।

ঘিণাৰাম সৰুৰেপৰা বিবেচক আৰু অভিমানী লৰা আছিল। তেওঁ "বামুণ দাৰোগা"ৰ ঘৰত বৰ সুখেৰে আৰু নিচেই আপোন ভাৱে থাকিবলৈ পাইছিল, তথাপি পৰৰ ঘৰত বহি খোৱাটো তেওঁ অন্যায় আৰু অপমানৰ কথা যেন বোধ কৰিছিল। সেই কাৰণে তেওঁৰপৰা গৃহস্থৰ কেনেকৈ অলপ লাভ হব পাৰে সেইটো তেওঁ সততে মনত ৰাখিছিল। আৰু সেই অৰ্থেই তেওঁ গৃহস্থালি কামবিলাক উপ্‌যাচি কৰি ফুৰিছিল। "বামুণ দাৰোগা"ই "গগৈদেও, সেইটি তোমাৰ কাম নহয়" বুলি হাক দিলেও "ৰাৰু হওক, বন কৰিলে মানুহ আগলৈ ভাল্‌হে হয়" এই বুলি তেওঁ উত্তৰ দি আকৌ বনত ধৰে। পিচলৈ পৰৰ ল'ৰাই বেজাৰ পায় যেন দেখি সৰলচিতীয়া "বামুণ দাৰোগা"ই নিজৰ পুতেক হঁতকো লাগি-ভাগি কাম কৰিবলৈ দিয়া হ'ল। আৰু তাৰপৰা এই ফল ধৰিলেগৈ যে, দাৰোগাৰ ল'ৰা কেইটিও ঘিণাৰামৰ লগপাই কার্য্য-প্রিয় হৈছিল।

এই সময়ত উত্তৰ লক্ষীমপুৰত পঢ়াশালিৰ সৃষ্টি হোৱা নাই। তেতিয়া চৰ্কাৰী কামৰ উপযোগী কৰিবলৈ ডাঙৰ মানুহৰ ল'ৰাক

ঘৰতে লিখা-পঢ়া শিকোৱা হয়। "বামুণ দাৱোগা"ৰ ল'ৰাহঁতকো সেইদৰেই শিক্ষা দিয়া হৈছিল। আৰু সেই ছেগতে ঘিণাৰামেও লিখা-পঢ়াত মন দিয়ে। জাঁজিৰ ল'ৰা-বন্ধু গদাধৰৰে সৈতে ঘিণাৰাম সমপাঠী আছিল।

সৰুৰেপৰা ঘিণাৰাম চিন্তাশীল আৰু দূৰদৰ্শী ল'ৰা আছিল। ভবিষ্যতে কেনেকৈ উন্নতি কৰিব, এই ভাব তেওঁৰ মনৰপৰা নুগুচিছিল। লিখা-পঢ়া নাজানিলে যে মনৰ আন্ধাৰ নুগুচে আৰু আগলৈ ভাল মানুহ হব নোৱাৰি, এই কথা তেওঁ ভাল্‌কৈ বুজিছিল। সেই কাৰণে তেওঁ "বামুণ দাৱোগা"ৰ ল'ৰাহঁতৰ লগতে লিখা-পঢ়া শিকিবলৈ মন পাৰি লাগিছিল। ঘিণাৰাম ৰৰ মনোযোগী ল'ৰা আছিল। আন ল'ৰাই পঢ়াৰ সময়ত চলৌপাতি কৰে, কিন্তু তেওঁ লিখা বা পঢ়াৰপৰা মূৰ নাদাঙ্গে। আন ল'ৰাই অসময়ত ধেমালি পাতিলে তেওঁ তাৰ লগ নলয়; কিন্তু ধেমালিৰ সময়ত তেওঁ একান্তমনেৰে ধেমালি কৰে। বাৰমতৰা শেষ নকৰালৈকে তেওঁ লগৰপৰা কিতাপ নেৰিছিল। কোনো কামত লাগি থাকোঁতেও যেতিয়াই অলপ আজৰি পায়, তেতিয়াই তেওঁ কিতাপ মেলে।

সৰুৰেপৰা ঘিণাৰাম সত্যবাদী, মিষ্টভাষী, নম্ৰ, ধীৰ আৰু শিষ্ট আছিল। সাহ-পিত, বুদ্ধি-কৌশল, যত্ন-অধ্যাবসায় এইবোৰ গুণত তেওঁ সমনীয়াৰ অগ্রগণী আছিল। সেই কাৰণে ডাঙ্গৰে তেওঁক মৰম কৰে, সমনীয়াই তেওঁলৈ প্রীতিৰাখে, আৰু সকলে তেওঁক মান কৰে। এই বোৰ সদ্‌গুণৰ বাবেই সকলো

ৰং-ধেমালিত সমনীয়া বিলাকে তেওঁক ঘাই পাতিছিল ; আৰু ৰৱলোকে তেওঁক সংসাৰত উদ্গতি কৰিবলৈ সহায় কৰিছিল।

কাম-কাজতো ঘিণাৰাম সৰুৱেপৰা বৰ পৈণত আছিল। যেই সেই কামকে তেওঁ খোৱোচামাৰি কৰিছিল, আৰু কোনো কাম আধাডোখৰিয়াকৈ নেৰিছিল। যি কাম কৰিবলৈ তেওঁ গাত লয় তাক তেওঁ মৰি-পৰি কৰিছিল। আন কি অমুক কাম্-টোলৈ ঘিণাৰাম গৈছে বুলিলে সেই কামৰ সিদ্ধিৰ নিমিত্তে সকলো নিশ্চিন্ত হৈছিল। দাৰোগাই পাচলৈ তেওঁৰ কোনো লাগতিয়াল আৰু বিশ্বাসী কাম হলে ঘিণাৰামৰে সৈতেহে কৰিছিল।

স্বভাৱ-চৰিত্ৰৰ গুণেৰে ঘিণাৰামে পৰক আপোন কৰিব পাৰিছিল। তেওঁৰ সজ স্বভাৱত অকল যে "বামুণ দাৰোগা"হে মোহিত হৈছিল এনে নহয়, ওচৰচুবুৰীয়া সকলোৱে তেওঁক সেইবাবে মৰম কৰিছিল। বিশেষ্‌কৈ, পেক্ষাৰ-পেক্ষাৰণীয়ে ঘিণাৰামক আপোনাৰ ল'ৰা-ছোৱালীৰ নিচিনাকৈ চেনেহ কৰি-ছিল। ৺ কেশীৰাম চলিহা পুৰণিমেলিয়া বৰুৱাৰ সহধৰ্ম্মিণী গৰাকী বৰ সাদৰী তিৰোতা আছিল (এইজনা লেখকৰ মাতৃ)। লক্ষীমপুৰত তেওঁ "আইতা" নামেহে বেচি প্ৰখ্যাত। ঘিণাৰাম "পেক্ষাৰণী আইতা"ৰ মৰমৰ ধৰুৱা আছিল। তেওঁ এই মৰমৰ কথা জীৱনত নাপাহৰিছিল।

ফাকি, প্ৰবঞ্চনা, মিছাকথা এই বিলাক ঘিণাৰামে বৰ ঘিণ কৰিছিল। কেতিয়াবা কোনো দোষ কৰিলে সোধা মাত্ৰে তেওঁ

সৈ লয়। সেই কাৰণে পেক্ষাৰ আৰু দাৰোগাই কেতিয়াবা কোনো ঘৰুৱা কথাৰ প্ৰমাণ লব লাগিলে ঘিণাৰামক সাক্ষী মানি মীমাংসা কৰিছিল।

ঘিণাৰাম বৰ সন্তোষীয়া চিতৰ ল'ৰা আছিল। তেওঁ অলপতে তুষ্ট হৈছিল, আৰু যি পায় তাকে তেওঁ যথেষ্ট মানি সন্তোষেৰে গ্ৰহণ কৰিছিল। এই ডাঙ্গৰ গুণ্‌টিৰ দ্বাৰাই ঘিণাৰামে পৰৰ ঘৰকো আপোন মানি সুখেৰে চলিব পাৰিছিল।

৪। আধ্যা।

চাকৰী-জীৱন।

সেই কালত পুলিচৰ কাম ৰৰ মৰ্য্যাদাৰ বিষয় আছিল। সেই কাৰণে অলপ লিখা-পঢ়া শিকি লোৱাৰ পাচত ঘিণাৰামে পুলিচৰ কামত সোমাবলৈ মন কৰিলে। "বামুণ-দাৰোগা"ই এই কথা জানি তেওঁক বৰকাণ্ডাজৰ কামত সুমাই দিলে। এয়ে তেওঁৰ পোণ প্ৰথমৰ চাকৰি। ইয়াৰ দৰ্ম্মহা মাহে ৩৲ টকা। সেই কালত অলপীয়া লিখা-পঢ়া জনা মানুহলৈ ই এটা আদৰৰ পদ। এই চাকৰিত ভৰ্ত্তি কৰোঁতে "বামুণ-দাৰোগা"ই তেওঁৰ নাম "ঘিণাৰাম ডেকাবৰুৱা" বুলি লিখিছিল। কিন্তু অভিমানী ঘিণাৰামে তেওঁৰ বৰ্ত্তমান পদত আগৰ পদবীৰ মৰ্য্যাদা হানি হোৱা যেন বিবেচনা কৰি "ডেকা বৰুৱা" কটাই তেওঁৰ নামৰ

পিচত অকল গগৈ লিখালে। আৰু পাচতো সম্মানী বিষয় আৰু অৱস্থা নোপোৱালৈকে তেওঁ "বৰুৱা" নিলিখিবলৈ মন বান্ধিলে।

চৰ্কাৰী কামত সোমাওঁতে ঘিণাৰাম গগৈৰ বয়স ১৭ (সোতৰ) বছৰ। এই বয়সতে তেওঁৰ অসাধাৰণ বুদ্ধি, পৰিশ্রম আৰু কৰ্ত্তব্যপৰায়ণতা দেখি তেওঁলৈ বাইজে আচৰিত হৈ চাইছিল। বিশেষ্‌কৈ উপৰুৱা চৰ্কাৰী বিষয়া সকলৰ মনোযোগ তেওঁৰ সেই বিলাক গুণে বৰকৈ টানিছিল। সেই কাৰণে, তেওঁৰ ওপৰত উপৰৱালাৰ মন্তব্য সদায় ভাল, আৰু সোনকালে তেওঁৰ পদোন্নতি হবলৈ ধৰে। দুবছৰৰ পাচতে তেওঁৰ দৰ্ম্মহা ২৲ টকা বাঢ়ি ৫৲ টকা হ'ল। এনেতে, এদিন ৰেপন গগৈ নামে আন এজন লগৰীয়া বৰকাণ্ডাজে তেওঁৰ আগত ফিতাহি মাৰি কৈছিল "তথাপি, তুমি মোৰ তল; তুমি পাঁচ ৰূপীয়াহে পাইছা, মই সাতৰূপীয়া পাওঁ"। ঘিণাৰামে নম্রভাৱে উত্তৰ দিলে, "কালত এদিন মই তোমাৰ দুগুণ পাৰও পাৰোঁ"। ৰেপনে এই কথাৰ উত্তৰ কাটি কলে "ন কৈ জনম ধৰি আহাঁগৈ।" পিচে ইয়াৰ ছমাহৰ পিচতে ঘিণাৰাম ৮৲ টকালৈ উঠিল। ৰেপনে এই কথাত বেজাৰ পাই কামৰপৰা ওলাই গল। শেহত আকৌ বুঢ়া কাললৈকে কনিষ্টবল কাম কৰিলে।

১৮৪৯ খৃষ্টাব্দত ঘিণাৰাম ৯৲ টকীয়া তৃতীয় শ্রেণীৰ হালদাৰৰ পদলৈ উঠে। এই পদ এতিয়াৰ হেড্‌কনিষ্টবলৰ শ্রেণীত। ইয়াৰ লগতে ঘিণাৰামৰ কার্য্যক্ষেত্রও আগত্‌কৈ বাঢ়িল, তেওঁ

নিজৰ পাৰ্গতালি দেখাবলৈ চল পালে। আৰু এই পদতে তেওঁৰ অসাধাৰণ বুদ্ধি-কৌশলে পুলিচৰ উপৰুৱা বিষয়াসকলৰ মনোযোগ এনেদৰে টানিলে যে পুলিচৰ অতি লাগতিয়াল আৰু টান কামবিলাকত লগাবলৈ সময়ে সময়ে তেওঁক বিশেষ বাছনিত তোলা হৈছিল। ১৮৫৭ খৃষ্টাব্দত চিপাহী বিদ্রোহৰ সময়ত যেতিয়া বিখ্যাত মণিৰাম দেৱানক বিদ্রোহী বুলি কলিকতাৰপৰা ধৰাই অনা হয় তেতিয়া তেওঁৰ লগত যোগ দিয়া ভালেমান মানুহ পলাইছিল। এই বিলাকক ধৰি দিবৰ কাৰণে ঘিণাৰাম বিশেষ বন্দৰস্তত নিযুক্ত হৈছিল। তেওঁ বৰ যত্ন কাৰ সেই বিলাকক ধৰি দিছিল আৰু কিছুমানক তেওঁ শাস্তিৰ পৰা মুক্তি দিয়াইছিল। ইয়াৰ পাচত দ্বিতীয় শ্রেণীলৈ উঠাত তেওঁৰ দৰ্ম্মহা ১২৲ টকা হ'ল। ১৮৫৯ খৃষ্টাব্দত শদিয়াৰপৰা কিছুমান বৃটীচ প্রজা বৰ আবৰে ধৰি নিছিল। সিহঁতক উদ্ধাৰ কৰিবলৈ গোৰা পল্টনৰ ফৌজ গৈও কৃতকার্য্য হব নোৱাৰিলে। তাৰ পাচত এক 'গেৰাজ' চিপাহা দি ঘিণাৰাম গগৈক পঠিওৱা হল! তেওঁ আবৰৰ চাঙলৈ গৈ, সিহঁতক বৰাই-বুজাই বিণা গোল্‌মালে ধৰি নিয়া মানুহ আটাইবিলাক উদ্ধাৰ কৰি আনি দিলেহি। ইয়াতে সন্তুষ্ট হৈ পুলিচ জেনাৰেল চাহাবে তেওঁক ১৫৲ টকাত প্রথম শ্রেণীৰ হালদাৰলৈ তুলিলে। তাৰ পাচত এদিন তেওঁ ৰেপন গগৈক লগ পাই কলে "সখি, তুমি কামত থকা হলে আজি মই তোমাৰ দুগুণ পোৱা দেখিলা হেঁতেন।" ৰেপনে উত্তৰ কাটি কলে "মই সেইহে নাথাকিলোঁ।"

পুলিচৰ চাকৰিত ঘিণাৰামে অলপ কালৰ ভিতৰতে বৰ নাম কৰি উঠিল। এনে কি, তেওঁক বৰ লায়ক বিবেচনা কৰি ১৮৬১ খৃষ্টাব্দত শদিয়াৰপৰা দিহীৰিলৈকে পৰ্ব্বতীয়া জাতি বিলাকৰ সীমা নিৰ্দ্ধাৰণ কৰিবৰ নিমিত্তে তেওঁৰ ওপৰত ভাৰ দিয়া হৈছিল। আৰু তেওঁৰ নিৰ্দ্ধাৰণ মতেই বহুকাললৈকে সেই সীমা চলি আছিল। ইয়াৰ পাচত তেওঁক জামাদাৰৰ পদলৈ তুলিবৰ নিমিত্তে উপৰুৱা বিষয়াসকলৰ ভিতৰত আলোচনা হৈছিল। কিন্তু পুলিচৰ "মিলিটাৰী" বিভাগত বৰ দুখ, আৰু সংসাৰী মানুহলৈ সেই কামত সুবিধা নাই কাৰণে তেওঁ "চিভিল"লৈহে আহিবৰ মন কৰিলে। কিন্তু "মিলিটাৰী" বিভাগত তেওঁৰ কাজৰা দেখি উপৰুৱাসকলে তেওঁক সেই বিভাগতে ৰাখিবলৈহে স্থিৰ কৰিলে। এই কথাত তেওঁ মনে মনে দুখ পালে আৰু তাৰপৰা যেনে তেনে প্ৰকাৰে ওলাবলৈ তেওঁ সঙ্কল্প কৰিলে।

ঘিণাৰামৰ সঙ্কল্পৰ লগে লগে কাৰ্য্যৰ আৰম্ভ হয়। তেওঁ পুলিচৰ পৰা ওলাই কাকতী, মহৰী, আমোলা এনে চাকৰিত সোমাবৰ মনেৰে আকৌ লিখা-পঢ়াত মন পুতি লাগিল। এনে সময়তে ৺ভুলিৰাম গগৈ নামে এজন পণ্ডিত তেওঁৰ লগ লাগিল। সেই সময়ত ৺ ভুলিৰাম দেউ লক্ষীমপুৰত এজন প্ৰখ্যাত পণ্ডিত আছিল। (লেখকো সেইজনা পণ্ডিতৰ এজন ছাত্ৰ আছিল)। তেওঁৰ যত্নতে ঘিণাৰামে লিখা-পঢ়া আৰু অঙ্কবিদ্যাত বেগাই উন্নতি কৰিবলৈ ধৰিলে। আৰু অলপ দিনৰ ভিতৰতে তেওঁ

PLEASE HANDLE THE BOOK CAREFULLY

কাকতীৰ মহলাত উঠি পুলিচৰ চাকৰি এৰি কাকতীৰ কামত সোমাল। আজি কালিৰ মণ্ডলকেই তেতিয়া কাকতী বুলিছিল। এই কাম তেওঁ কিছুমান বছৰ দক্ষতাৰে সৈতে চলোৱাৰ পাচত তেওঁৰ উপৰৱালা ৺প্ৰিয়ৰাম দাস মৌজাদাৰ চৰ্কাৰী খাজানা শোধাৰ নোৱাৰাৰ বাবে বৰ্খাস্ত হয়, আৰু ঘিণাৰাম গগৈক তেওঁৰ ঠাইত ১৮৬৪ খৃষ্টাব্দত ন-কাৰী মৌজাৰ মৌজাদাৰ পতা হয়। ইয়াৰেপৰা তেওঁৰ চাকৰীয়া জীৱনৰ উন্নতিয়ে ভাল গতি ধৰিলে। এই বিষয়তেই বিষয়া নামে তেওঁ ক্ৰমাৎ জিলিকি আহিল। আৰু, পোণ প্ৰথমে চৰ্কাৰী কামত সোমাওঁতে অভিমান কৰি লিখিব নোখোজা তেওঁৰ ওপৰ-পুৰুষৰ "বৰুৱা" খিতাপ সেই কালৰ মহকুমাধিপতি লেফ্‌টেনেণ্ট্‌ (পাচত কৰ্ণেল) মেক্‌ণ্ডৱেল চাহাবে লিখিবলৈ আদেশ কৰাত তেওঁ এতিয়া বেয়া নোপোৱা হল। কিছুকাল অকল ন-কাৰী মৌজাত মৌজাদাৰী কৰাৰ পাচত ক্ৰমে ক্ৰমে চিনাতলীয়া, কমলাবৰীয়া, ছুটীয়াকাৰী এই তিনি মৌজাও ন-কাৰী মৌজাৰ লগত চামিল কৰি গৱৰ্ণমেণ্টে ঘিণাৰাম বৰুৱাক উত্তৰ লক্ষীমপুৰৰ ভিতৰত সবাতকৈ ডাঙৰ মৌজাদাৰ পাতিলে। এই মৌজাদাৰী বিষয় ১৮৬৭ খৃষ্টাব্দৰ পৰা ১৯০০ খৃষ্টাব্দলৈকে ৩৬ বছৰকাল মানে-গৌৰৱে সন্তোষ-জনকৈ চলাই অতিবৃদ্ধ বয়সত তেওঁ তাৰপৰা অৱসৰ লয়। এই ৩৬ বছৰেই ঘিণাৰাম বৰুৱাৰ আদৰ্শ জীৱনৰ অতি উজ্জ্বল ভাগ।

———o———

৫। আধ্যা।

গৃহস্থী জীৱন।

চৰ্কাৰী কামত সোমোৱাৰ চাৰি বছৰৰ পাচত ২১ বছৰ বয়সত ঘিণাৰাম বৰুৱাই লক্ষীমপুৰ মৌজাৰ কোঁৱৰ গাওঁৰ ৺ ৰঙা-কোৱঁৰৰ চেনেহী নামে ৰৰজীয়েকক বিয়া কৰায়। এই বিয়াত 'বামুণ-দাৰোগা,' ৺ কেশীৰাম বৰুৱা পেক্কাৰ, ৺ জীউৰাম বৰুৱা পেক্কাৰ, ৺ ভুলিৰাম গগৈ পণ্ডিতদেও, ৺ মমিণদাস মোক্তাৰ প্ৰভৃতি সেই সময়ৰ লক্ষীমপুৰৰ ভদ্ৰলোক সকল দৰাঘৰীয়া হৈছিল। আৰু সেই কালৰ মানী, ধনী, আৰু ডাঙ্গৰ সেই কোৱঁৰ পৰিয়ালৰ ৺ তুলাৰাম গগৈ, ৺ সাধিৰাম ৰৰসেনাপতি প্ৰভৃতি আত্মীয়-কুটুম্ববিলাক কন্যাঘৰীয়া হৈ অকলই শকত হৈছিল।

ৰঙা কোঁৱৰৰ ঘৰ পূৰ্ব্বৰেপৰা লক্ষীমপুৰত ৰৰ ধনী, মানী, আৰু নামজলা পৰিয়াল আছিল। ইবিলাক দুই ককাই ভাই আছিল, আৰু দুইও ৰজাঘৰীয়া বিষয় খাইছিল। ককায়েক ৰঙা কোঁৱৰে ৰৰৰৰা আৰু ভায়েকে নেওগ ফুকনৰ বিষয় পাইছিল। ৰৰজনৰ চেনেহী, মথনৰৰা, সেন্দুৰী (ঘাই নাম লক্ষ্মী), মনাইৰৰা আৰু সৰুজনৰ জিউৰামফুকন, কণনাথ ফুকন প্ৰভৃতি চাৰি সন্তান আছিল। ৰৰজনৰ চেনেহী নামে ৰজীয়েকেই ঘিণাৰাম

বৰুৱাৰ প্ৰথমা ভাৰ্য্যা বা বৰঘৈনা। বহুৰচেৰেকৰ পাচত সেন্দুৰীনামে তেওঁৰ খুলশালীয়েকক বিয়া কৰায়। এওঁ ঘিণাৰাম বৰুৱাৰ দ্বিতীয়া ভাৰ্য্যা বা সৰুঘৈনা, আৰু এওঁ এতিয়াও বৰ্ত্তমান আছে।

ৰঙাকোঁৱৰৰ ভাৰ্য্যা ঘিণাৰাম বৰুৱাৰ শাহুৰেক এগৰাকী বৰ বুদ্ধিমতী আৰু সাদৰী তিৰোতা আছিল। আমা-ডিমা ল'ৰা-ছোৱালী পাঁচোটিৰে সৈতে তেওঁ গাভৰু কালতে বিধবা হয়। তেওঁ নিজৰ বুদ্ধি, পৰিশ্ৰম আৰু ধৈর্য্যতাৰে সৈতে এই মাউৰা ল'ৰা-ছোৱালী কেইটা ডাঙৰ-দীঘল কৰিলে। আৰু বৰজীয়েকক বিয়া দিয়াৰ পাচৰপৰা জোৰাঁয়েক ঘিণাৰাম বৰুৱাক বৰপুত্ৰ হেন জ্ঞান কৰি তেওঁ ইকেইটা লৰা-ছোৱালীও তেওঁকে গটাই দিলে। জোৰাঁয়েকলৈ শাহুৰেকৰ সাধাৰণতে বৰ মৰম, কিন্তু ইবিলাকৰ ভিতৰত এই মৰম বিশেষ আছিল। ঘিণাৰাম বৰুৱাৰ চৰিত্ৰৰ গুণে শাহুৰেকক এনেদৰে মোহিত কৰিছিল যে, তেওঁ আপোন ইচ্ছাৰে তেওঁৰ সৰু জীয়েককো ভিনীহিয়েকলৈকে বিয়া দিলে। তাৰ পাচত তেওঁ জোৰাঁয়েকক থানা কাষৰৰ বাৰীৰপৰা তুলি আনি তেওঁৰ ন-কাৰী গাৰুঁৰ ঘৰ-বাৰী আৰু সমুদায় স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰে সৈতে মাউৰা লৰা তিনটা তেওঁক গতাই দিলে। আৰু ইয়াৰ বহুৰচেৰেকৰ পাচতে তেওঁৰ পৰলোক হ'ল। ঘিণাৰাম বৰুৱায়ো শাহুৰেকৰ বাক্য অলপো লৰচৰ নকৰাকৈ পালন কৰি মাউৰা খুলশালিয়েকহঁতক নিজৰ ভাতৃৱত মৰম-চেনেহেৰে

ডাঙৰ-দীঘল কৰি কেইওটাৰে ঘৰ পাতি দি বহুকাল একে পৰিয়াল হৈ মিলা-প্ৰীতিৰে দিন নিয়ালে। আৰু ঘিণাৰাম বৰুৱাৰ সৰু জনা ঘৈণীৰ দৰে লক্ষীমপুৰত আন কোনো বায়েকে ভাই-বোৱাৰীৰ ওপৰত শাহুৰতীৰ ক্ষমতা চলাই সুদীৰ্ঘকাল সুখ ভুঞ্জিবলৈ পোৱা নাই। এনে কি, ভায়েক, বোৱা-ৰীয়েক, সিবিলাকৰ ল'ৰা-ছোৱালী আৰু নিজৰ ল'ৰা-ছোৱালী আৰু পৰিয়াল্‌টোৰে সৈতে একেটা চৰুত খোৱা মানুহৰ সংখ্যা সেই সময়ত সেই ঘৰত ডেৰকুৰি হৈছিল। তেতিয়া এনে এখন ভৰপুৰ গৃহস্থীৰ মূল গৃহস্থ আৰু গৃহিণী হৈছিল ঘিণাৰাম বৰুৱা আৰু তেওঁৰ সৰুঘৈণী। এই দৰেই বহুদিন যোৱাৰ পিচত, যেতিয়া পো-বোৱাৰী আনিব লগা হল, তেতিয়া ভিনীহি-য়েকে তিনিও খুলশালিয়েকক তিনি ঠাইত বেলেগাই ঘৰ-বাৰী কৰি দি সমানে তিনিভাগ গৰু-মহ, মাটি-বাৰীৰে সৈতে তিনি ঘৰ সুকীয়াকৈ পাতি দিলে।

দুয়ো গৰাকী ভাৰ্য্যাৰপৰা ঘিণাৰাম বৰুৱাৰ ১৬টি সন্তান হৈছিল। তাৰ ভিতৰত ৮টি পুত্ৰ আৰু ৮টি কন্যা। বৰ গৰাকীৰ মোহনচন্দ্ৰ, স্বৰূপচন্দ্ৰ, কণনাথ আৰু ভদ্ৰসেন এই চাৰিটি পুত্ৰৰ ভিতৰত স্বৰূপচন্দ্ৰ আৰু ভদ্ৰসেন চেঙ্গেলীয়া কালতেই ঢুকায়। মোহনচন্দ্ৰ হাইস্কুলৰ দ্বিতীয় শ্ৰেণীলৈকে পঢ়ি, বিয়া-বাৰু কৰাই, ল'ৰা বাপেকী হৈ চফল ডেকাকালত ডিব্‌ৰুগৰত পুলিচ আপীচত কেৰাণী কাম কৰি থাকোঁতে জহনীত পৰি ঢুকাল। ই এটা ঘিণাৰাম বৰুৱাৰ জীৱনত প্ৰধান ঘটনা। এই

বিষয়ে পাচৰ ঘটনাৱলীত অলপ বহলাই কোৱা হব। কণনাথ এতিয়া বৰ্ত্তমান, আৰু তেওঁ পিতৃৰ আদেশমতে স্বাধীন কাৰবাৰ চলাই গৃহস্থী হৈ আছে। এওঁৰ এতিয়া চাইটি পুত্ৰ আৰু এটি কন্যা। সৰু গৰাকীৰ মাহিন্দ্ৰী, নীলকণ্ঠ, পদ্মনাথ, হীৰাৱতী, মুক্তানন্দ, হলিৰাম, তোষেশ্বৰী আৰু নাৰায়ণী এই আঁঠোটি সন্তান। ইবিলাকত বাজেও মাহিন্দ্ৰীৰ আগৰ আৰু হীৰাৱতীৰ পাচৰ দুটি কন্যা নিচেই সৰুতে ঢুকায়; আৰু হলিৰামৰ চালুকীয়া অৱস্থাতে অকালমৃত্যু হয়। মোটৰ ওপৰত দুটি কন্যা আৰু দুটি পুত্ৰকৈ সৰুঘৈণীৰ ৫ জোৰা বা ১০টা সন্তান হৈছিল। ৺ মাহিন্দ্ৰী আইদেওক ৺ গোপীনাথ লস্কৰীয়া বুঢ়াগোহাঁই ন্যায়-সোধাফুকন ডাঙ্গৰীয়াৰ পুতেক ৺ কৃষ্ণানন্দ বুঢ়াগোহাঁইদেৱে (লেখকৰ ঘৰত থাকি) বিয়া কৰাইছিল। আৰু লেখকৰ ঘৰৰ নিচেই ওচৰতে ঘৰ সাজি বহুত দিন একে পৰিয়ালৰ দৰে অতি সুখেৰে আছিল। আৰু তেতিয়াই এই লেখকে বন্ধুৰ মাহিন্দ্ৰী সহধৰ্ম্মিণীৰ অশেষ সৎসাহস, সজাশিক্ষা, আৰু গৃহস্থী চলোৱাৰ অশেষ গুণৰ দিনে দিনে পৰিচয় পাই আছিল; আৰু বিশেষ্‌কৈ এওঁ আৰু লেখকৰ স্বৰ্গীয় সহধৰ্ম্মিণী সাবিত্ৰী দুই জনা এক প্ৰাণা সখীয়েক আছিল। এই সংসাৰত দুটি কন্যা আৰু তিনটি পুত্ৰ ৰাখি এই দম্পতীৰ পৰলোক হৈছে। এই তিনটি পুত্ৰৰ ভিতৰত বৰটি শ্ৰীমান সুৰেন্দ্ৰনাথ গোহাঁই বি, এ, এতিয়া চব ডেপুটী কলেক্টৰ। শ্ৰীমান মহেন্দ্ৰনাথ গোহাঁই তেওঁৰ মোমা-য়েক শ্ৰীমান পদ্মনাথ বৰুৱাৰ বিশেষ যত্নত ১২ বছৰ বয়সত

এণ্ট্রেঞ্চ্ পাচ কৰে ; আৰু এতিয়া এম, এ, পাচ কৰি বি, এল, পৰীক্ষা দিবলৈ সাজু হৈছে। নুমলীয়া শ্ৰীমান যোগেন্দ্ৰ নাথ গোহাঁই শ্ৰীমান পদ্মনাথ বৰুৱাৰ যত্ন আৰু পালনতে এণ্ট্রেঞ্চ্ পাচ কৰি এতিয়া কলেজত পঢ়িছে। ৺ ঘিণাৰাম বৰুৱাৰ জীৱনত দুৰ্জীয়েক আৰু দুৰ্জোৱাঁয়েকৰ অকালবিয়োগো দুটা প্ৰধান ঘটনা। এই বিষয়ে পাচত আকৌ অলপ কোৱা হব। নীলকণ্ঠই এফ, এ, লৈকে পঢ়ি লক্ষীমপুৰত চিভিল চিৰস্তাদাৰৰ পদত আছিল, এতিয়া তেওঁ স্বাধীন কাৰবাৰত ধৰিছে। তেওঁৰ এতিয়া তিনটি কন্যা আৰু তিনটি পুত্ৰ। শ্ৰীমান পদ্মনাথৰ লেখকে ন কৈ চিনাকি দিব নালাগে, কাৰণ আসামত প্ৰায় সকলোৱে তেওঁ চিনাকি লোক। লক্ষীমপুৰীয়া ডেকাৰ ভিতৰত এওঁৰেই পোণ প্ৰথমে এণ্ট্রেঞ্চ্ পাচ কৰে। আৰু কলিকতাৰ কলেজত পঢ়ি আহি চাৰি বছৰমান কহিমা গৱৰ্ণমেণ্ট্ স্কুলত আৰু আঁঠ বছৰমান তেজপুৰ নৰ্ম্মাল স্কুলৰ হেড্মাষ্টৰী আৰু মঙ্গল্দৈত তহ্চীল্দাৰ কাম কৰিছিল। এওঁ এতিয়া এজন বিখ্যাত অসমীয়া গ্ৰন্থকাৰ। বৰ্ত্তমানলৈকে পদ্মনাথ বৰুৱাই ২৫ পচিশ খনমান অসমীয়া ওখখাপৰ কিতাপ লিখিছে। বৰ্ত্তমান তেওঁ "আসাম বন্ধি" আৰু "উষাৰ" স্বত্বাধিকাৰী আৰু সম্পাদক। আজি কেই বছৰমানৰ পৰা পদ্মনাথ বৰুৱা কলিকতা 'ইউনিভাৰ্চিটীৰ' এণ্ট্রেঞ্চ্, এফ,এ, আৰু বি,এ পৰীক্ষাৰ অসমীয়া বিষয়ত পৰীক্ষক নিযুক্ত আছে। আৰু, সাহিত্য-চৰ্চ্চাত শৰীৰ অসুস্থ হোৱাৰ বাবে এতিয়া তেওঁ নৰিয়া-পেঞ্চন (Invalid

Pension) পায়। তাৰ উপৰি পদ্মনাথ বৰুৱাক পূৰ্ব্ববঙ্গ আৰু আসামৰ লেফ্‌টেনেণ্ট্‌ গৱর্ণৰ বাহাদুৰ আৰু ভাৰতবর্ষৰ গৱর্ণৰ জেনেৰেল বাহাদুৰে আসামৰ প্রধান সাহিত্যিক বুলি অনুমোদন কৰাত ইংলণ্ডৰ পার্লেমেণ্ট্‌ ৰাজ সভাৰ ভাৰত-মন্ত্রীয়ে (The Secretary of State for India) তেওঁক এটি সম্মানী সাহিত্যিক পেঞ্চন মঞ্জুৰ কৰি দিছে। এনে পেঞ্চন আসামত কেতিয়াও কোনেও পোৱা নাছিল আৰু গোটেই ভাৰতবর্ষত আজিলৈকে এনে পেঞ্চন এয়ে সৈতে মুঠেই দুটি। অলপ দিন হৈছে, আহোমৰ প্রতিনিধিকৈ গৱর্ণমেণ্টে তেওঁক আসাম কাউন্সিলৰ বা মন্ত্রী-সভাৰ সদস্য বা মেম্বৰ পাতি লৈছে। এইবাৰে অকল আহোম সম্প্রদায়েই নহয়, সদৌ অসমীয়া জাতিয়ে সন্তোষ পাইছে আৰু গৌৰৱান্বিত বোধ কৰিছে। পদ্মনাথ বৰুৱাৰ প্রথমা ভার্য্যা নিঃসন্তান হৈ ঢুকুৱাত তেওঁ দ্বিতীয়বাৰ বিয়া কৰায়। এই দ্বিতীয় ভার্য্যাৰ পৰা তেওঁৰ এটি পুত্র আৰু চাৰিটী কন্যা লাভ হৈছিল। পুত্রটি কেঁচুৱাতে ঢুকুৱাত এতিয়া তেওঁৰ ৪ চাৰিটী কন্যা বর্ত্তমান আছে। প্রথমা কন্যা শ্রীমতী নির্ম্মলাসুন্দৰী বৰ আইদেওক বাৰুকিয়াল ফৈদৰ জাগীয়ল্লীয়া গোহাঁই ঘৰৰ ৺ চন্দ্রমল বৰ গোহাঁই ডাঙ্গৰীয়াৰ পুতেক শ্রীমান সিদ্ধেশ্বৰ বৰ গোহাঁই দেওলৈ বিয়া দিয়া হৈছে। গোহাঁইদেৱে বি-এ পাচ কৰি এম-এ আৰু বি-এল পৰীক্ষা দিবৰ অর্থে কলিকতাৰ কলেজত পঢ়িছেগৈ। ৺ পিতৃৰ আহিৰে পদ্মনাথে নিচেই মজলীয়া অৱস্থাৰপৰা নিজৰ বুদ্ধি, পৰিশ্রম অধ্যবসায় আৰু

চৰিত্ৰৰ বলত ক্ৰমাৎ উদ্গতিলাভ কৰি এতিয়া উন্নতিৰ মুখত নূৰ লগাইছে, আৰু ৺ দেউতাকৰ দৰেই সন্তান পালনত আদৰ্শ হৈ উঠিছে ;—পদ্মনাথৰ আদৰ্শ অভিভাবকতাৰ পৰিত্ৰ চিন আৰু উজ্জ্বল পটন্তৰ স্বৰূপ তেওঁৰ চেনেহৰ ভাগিন ৺ কৃষ্ণানন্দ বুঢ়া-গোহাঁই ডাঙ্গৰীয়াৰ ঘাট-মাউৰা গোহাঁইদেও তিনটি বি-এ, এম-এ হৈ জিলিকি উঠিছে। পৃথিবীত মোমাই-ভাগিনৰ এনে চানেকী অতি বিৰল। হীৰাৱতী আইদেওক শিৱসাগৰৰ ডেপুটী কমিচনাৰৰ আপীচৰ আমোলা শ্ৰীযুত চন্দ্ৰশেখৰ বৰুৱাই বিয়া কৰাইছে। এওঁৰ এটি মাত্ৰ পুত্ৰ-সন্তান। এতিয়া তেওঁ কলেজত পঢ়িছে। মুক্তানন্দ উত্তৰ লক্ষীমপুৰৰ কাছাৰিত এজন আমোলা। এওঁৰ এতিয়া এটি কন্যা আৰু এটি পুত্ৰ-সন্তান হৈছে। তোষেশ্বৰী আইদেওক শ্ৰীযুত সূৰ্য্যকান্ত কুকুৰা-চোৱা বৰুৱা বি-এ চৰডেপুটী কলেক্টৰে বিয়া কৰায়। এওঁ বিলাকৰ এতিয়া এটি পুত্ৰ আৰু এটি কন্যা। আৰু নিচেই নুমলীয়া নাৰায়ণী আইদেও বৰ্ত্তমান আসামৰ মাটি বিভাগীয় এচিষ্টেণ্ট্ ডাইৰেক্টৰ আৰু শিৱসাগৰ জিলাৰ বিখ্যাত সন্দিকৈ বংশৰ কুলতিলক শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ৰায় বাহাদুৰৰ ভাৰ্য্যা। এতিয়া সিবিলাকৰ চাৰিটি পুত্ৰ আৰু এটি কন্যা। ৰৰটি পুত্ৰই এণ্ট্ৰেঞ্চ্ পৰীক্ষা দিছে আৰু তেওঁৰ বিদ্যা-বুদ্ধি চাই প্ৰথম বিভাগত ওখ থাই লৈ পাচ হোৱাৰ আশা আছে। শুনিছোঁ, এওঁক চিভিল চাৰ্ভিচৰ নিমিত্তে বিলাতলৈ পঠিওৱা হব।

ককাইদেৱেক কাণুৰাম ডেকাৰৱৰা ঢুকুৰাৰ পাচত ঘিণাৰাম বৰুৱাই তেওঁৰ বিধবা বৌয়েকক তিনটি কন্যা আৰু এটি পুত্রৰে সৈতে জাজিৰ পৰা লক্ষীমপুৱৰ ঘৰলৈ তুলি আনিলে। এতিয়া সেই বিলাকেও নিজৰ নিজৰ লৰা-ছোৱালীৰে সৈতে দদাইদেৱেকৰ মাটি-সম্পত্তিৰে সৈতে ঘৰ-গৃহস্থী কৰি আছে। ককাইদেৱেকৰ জীৱন্ত কালতে তেওঁৰ বৰ জাঁয়েক দুটীক জাজিতে বিয়া দিছিল। সিবিলাকে পিতৃৰ ভূ-সম্পত্তি বহুকাললৈকে ভোগ কৰে। ইবিলাকত বাজেও জাজিৰ জকাইচুক মৌজাত ঘিণাৰাম বৰুৱাৰ বংশীয় আত্মীয়-কুটুম্ব মানুহে মৰাণবামুণ গাওঁ জুৰি আছে। ঘিণাৰাম বৰুৱাই কিন্তু লৰাকালতে ওলাই যোৱাৰপৰা বুঢ়াকাললৈকে জাঁজিলৈ বহুকাল উলটি নহাকৈ আছিল। ১৮৯৬ খ্রীষ্টাব্দত তেওঁৰ বৰ আৰু সৰু-মাজিউ পুতেক শ্রীমান নীলকণ্ঠ আৰু শ্রীমান পদ্মনাথ বৰুৱাৰ বিয়া পাতিবলৈ গৈ মাথোন তেওঁৰ জন্মস্থানত আত্মীয়-কুটুম্ব সকলৰ লগত এক পক্ষমান পৰম সন্তোষেৰে আছিল গৈ।

ওপৰত কোৱাৰ মতে পুত্র-কন্যা, জী জোৱাঁই, নাতি-পুতি, ভাই-বন্ধু, আত্মীয়-কুটুম্বাদিৰে এখন বিস্তৃত সংসাৰৰ মূল মানুহ হৈ অতি বৃদ্ধাৱস্থাত ঘিণাৰাম বৰুৱা ডাঙৰীয়াই পৰম ভাগ্যৱন্তৰ পৰিত্র সুখ অনুভৱ কৰিছিল। ঘিণাৰাম বৰুৱাক আহোমৰ বৰ্ত্তমান জিলিকি উঠা শিক্ষিত দলটিৰ মূল মানুহ বুলিলেও বঢ়াই কোৱা নহয়। কিয়নো, তেওঁৰে পুত্র, জোৱাঁই, নাতি, নাতি-জোৱাই এই সকলেই সেই দলৰ প্রধান অঙ্গ; তেওঁৰে

স্বণাম-প্রসিদ্ধ পুত্র সেই দলৰ আৰু গোটেই আহোম সম্প্রদায়ৰ সর্ব্ববাদী নেতা। আহোমৰ প্রথম এণ্ট্রেঞ্চ্ পাচ কৰোঁতা, প্রথম এফ-এ পাচ কৰোঁতা, প্রথম বি-এ পাচ কৰোঁতা কেইও-জন তেওঁৰে জোৱাঁই; আহোমৰ প্রথম এম-এ তেওঁৰে নাতি। তদুপৰি, তেওঁৰে জোৱাঁই, নাতি, নাতি-জোৱাঁই এই সকলৰেই আহোমৰ সৰহ ভাগ 'গ্রেজুয়েট'। আসামৰ প্রধান গ্রন্থকর্ত্তা, প্রথম কাউন্সিলৰ অনাৰেৰ্‌ল মেম্বৰ, প্রথম অসমীয়া সাহিত্যিক পেঞ্চনভোগী তেওঁৰে পুত্র। মূলত সদ্গুণৰ সাৰ নথকা হলে এজুপি গছৰ শাখা-প্রশাখাত ইমানবিলাক সুফল ফলিবৰ সম্ভাৱনা নাছিল। আৰু অকালত সংসাৰ-ধুমুহাই উভালি পেলোৱা মনোহৰ কলপুলিটি নিলগত ঠন ধৰি উঠি, ভালেমান পুলি-পোখাৰে সৈতে ইমান ডাঙৰ এজোপা হৈ জিলিকিব বুলি কোনে ভাবিছিল!

৬। আধ্যা।

বিষয়া—জীৱন।

"সকটি হৈ সৰকিব লাগে" এইটি ঘিণাৰাম বৰুৱ[illegible] মূলমন্ত্র আছিল। সৰুৰেপৰা সদায় সকলোৰে ওচৰত সৰুটি হৈ ফুৰা তেওঁৰ স্বভাৱ আছিল। সেই গুণতে তেওঁ নিকুটুমীয়া সংসাৰত সুখে-সম্পদে তৰিব পাৰিছিল। ডেকা বয়সতো সেই

গুণৰ বলতে তেওঁ উন্নতিলৈ বাট উজু পাইছিল। আৰু বয়সীয়া হৈও সেই গুণৰ মহিমাৰে ৰাইজৰ আগত জিলিকিবলৈ তেওঁ সুচল পাইছিল। সাধাৰণ অৱস্থাৰপৰা সম্মানী অৱস্থালৈ উঠিলে মানুহৰ স্বভাৱ-চৰিত্রত আৰু ফুৰা-চকাত 'মইবৰ' ভাব সোমোৱা সততে দেখিবলৈ পোৱা যায়। কিন্তু অৱস্থাৰ উন্নতিয়ে ঘিণাৰাম বৰুৱাৰ স্বভাৱত তেনে পৰিবৰ্ত্তণ ঘটাব নোৱাৰিছিল। তেওঁ আগেয়ে যি ভাৱে চলিছিল বিষয়াহৈ উন্নত হোৱাৰ পাচতো সেই ভাৱেই চলিবলৈ ধৰিলে; আগেয়ে তেওঁৰ সমনীয়া বা তেওঁতকৈ মানী মানুহৰ প্রতি তেওঁ যেনে ব্যৱহাৰ কৰিছিল, পাচত সিবিলাকৰ প্রতি সেই ব্যৱহাৰ তেওঁ তাতোকৈ কোমল আৰু নম্র কৰিছিল। আৰু উন্নতিৰ ওপৰলৈ বাট ক্রমাৎ ঠেক গতিকে তেৱোঁ ক্রমাৎ বেচিকৈ সৰুটি বোলাবলৈ অভ্যাস কৰিছিল।

ঘিণাৰাম বৰুৱাই মূল-ধন বা জমা থকা টকাৰ বলত মৌজাদাৰী বিষয় লাভ কৰা নাই। তেওঁৰ চৰিত্রৰ বলেৰে আনৰ মূলধনৰ বল লৈহে তেওঁ মৌজাদাৰী বিষয় লাভ কৰে। যি খাজানা শোধাব নোৱাৰাত প্রিয়ৰাম মৌজদাৰৰ মৌজা গল, সেই খাজানাৰ টকা ঘিণাৰাম বৰুৱাক তেওঁৰ বন্ধুসকলে ধাৰলৈ দি সহায় কৰিছিল। সেই সহায়ৰ বলেৰেই তেওঁ পাচতো মৌজা ৰাখি খাবলৈ পিচ বছৰতে পৈণত হৈ উঠিল। তাৰ পাচত, ঘিণাৰাম বৰুৱা তেওঁৰ প্রজা বিলাকৰ ওচৰত এনে প্রিয়পাত্র হৈ উঠিল যে সময়ত কিছুমান মুখিয়াল ৰায়তে তেওঁক বাকী খাজানাৰ

দায়ৰপৰা সততে মুক্ত কৰিছিল। তেওঁ নিজৰ মৌজাৰ সকলৰ, সুখী-দুখী সকলো ৰায়তৰ প্ৰতি সমান চকুৰে চাইছিল. আৰু কোনো কথাত তেওঁ ৰায়তৰ ওচৰত গণ্ডপ নামাৰিছিল। তাৰ দ্বাৰাই তেওঁৰ প্ৰতি ৰায়তৰ প্ৰণয় তেওঁ দৃঢ় কৰি আনিব পাৰিছিল। আৰু, এই প্ৰণয় লাভৰ বলতে তেওঁ ক্ৰমাৎ সম্পত্তিৰ বলো লাভ কৰিবলৈ ধৰিলে। ৰায়তৰ অনুগ্ৰহত তেওঁ অলপ কালৰ ভিতৰতে চাইটা ধানৰ ভঁড়াল বান্ধিছিল। ঘিণাৰাম বৰুৱাৰ সেই ধানৰ ভঁড়াল কেইটাৰ সমনীয়া ঘৰ ৰাজহুৱা ডাঙ্গৰ নামঘৰ গোটাচেৰেকত বাজে আৰু লক্ষীমপুৰত দেখিবলৈ নাছিল।

মৌজাদাৰী বিষয় খোৱাত ঘিণাৰাম বৰুৱা এনে পৈণত লোক হৈ উঠিছিল যে লক্ষীমপুৰ জিলাত যত বিলাক ডেপুটী কমিচনাৰ আৰু মহকুমাধিপতি হৈছিল, তেওঁ প্ৰায় সেই সকলোৰেপৰা প্ৰশংসা আৰু সমাদৰ পাইছিল। সেই সকলৰ ভিতৰত লেফ্‌টেনেণ্ট্‌ (পাচত কৰ্ণেল) মেক্স্‌ওৱেল, মিঃ ষ্টিভেন্‌চন, মিঃ মেথিওজ, মিঃ গ্ৰীমুড, মিঃ গ্ৰিন্‌চিল্ড্‌ছ, মিঃ গড্‌ফ্ৰি, মিঃ ব্ৰাউন, মিঃ ষ্ক্ৰেঞ্চ, মিঃ নিকল, মিঃ কোহান এই সকলেই প্ৰধান। এই ইংৰাজ বিষয়াসকলে ঘিণাৰাম বৰুৱাৰ বুদ্ধি, পৰিশ্ৰম, কাৰ্য্যদক্ষতা, কৰ্ত্তব্য-পৰায়ণতা আৰু স্বভাৰ-চৰিত্ৰ আদি নথৈ শলাগি প্ৰশংসা পত্ৰ দিছিল। সেই বোৰৰ ভাঙ্গনী দিবলৈ হলে এখনী সুকীয়া সৰু পুথি হব। দেশীয় হাকিম সকলৰপৰাও ঘিণাৰাম বৰুৱাই সেই দৰেই আদৰ সম্মান

আৰু প্ৰশংসা পাইছিল। ৰবঞ্চ, ইসকলৰ ওচৰত তেওঁ তাৰ উপৰিও মৰম-চেনেহৰ পাত্ৰ হৈ উঠিছিল। এই সকল হাকিমৰ ভিতৰত ৺ দীননাথ বেজবৰুৱা, ৺ পূৰ্ণানন্দ বৰুৱা, মিষ্টাৰ কাশীনাথ বৰুৱা, মৌলবী নজমল হোচেন আহ্মাদ, এই সকলেই প্ৰধান। বেজবৰুৱা ডাঙ্গৰীয়াই ঘিণাৰাম বৰুৱাৰ চৰিত্ৰত মুগ্ধহৈ তেওঁক নিজৰ পুত্ৰৰৎ স্নেহ কৰিছিল। ৺ পূৰ্ণানন্দ বৰুৱাই ঘিণাৰাম বৰুৱাৰ বুদ্ধি আৰু অভিজ্ঞতাৰ চিনাকি পাই তেওঁৰে সৈতে ৰৰ মিলা-প্ৰীতি আৰু প্ৰণয় ভাব ৰাখি চলিছিল। মিষ্টাৰ কাশীনাথ বৰুৱাই বৃদ্ধ ঘিণাৰাম বৰুৱাৰ উদাৰ প্ৰকৃতি আৰু ওখ মনৰ চিন পাই তেওঁক সততে নিজৰ অভিভাবকৰ দৰে ভক্তি কৰিছিল। মৌলবী নজমল হুচেন আহ্মাদ এঃ এঃ কমিচনাৰ চাহাবে ঘিণাৰাম বৰুৱাৰ গুণ-জ্ঞানত মোহিত হৈ তেঁওৰ প্ৰতি সততে ভক্তি আৰু সম্মান দেখুৱাইছিল; আৰু যেই সেই ঘৰুৱা বা নিজা ডাঙ্গৰ আৰু বিশ্বাসী কামত মৌলবী চাহাবে মৌজাদাৰ ডাঙ্গৰীয়াৰে সৈতে পৰামৰ্শ কৰি তেওঁৰ উপদেশ লৈছিল। এই বিলাক কাৰণতে তেওঁ এটাৰপৰা দুটা, তাৰ পৰা তিনটা আৰু তাৰপৰা চাইটা মৌজাৰ মৌজাদাৰ হৈ গৱৰ্ণমেণ্টৰপৰাও সুখ্যাতি লাভ কৰিছিল। আৰু তেওঁৰ বিস্তৰ মহৎ কাৰ্য্যৰ শলাগনী লৈ ৺ মহাৰাণী ভাৰতেশ্বৰী ডিক্টোৰীয়াৰ ৬১ বছৰীয়া 'জুবিলী' দৰবাৰত তেওঁক সম্মানী পত্ৰ (Honour certificate) দিয়া হৈছিল।

"প্ৰজাক পুত্ৰৰূপে দেখিব লাগে" ইও এফাঁকি ঘিণাৰাম

বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ আছিল। তেওঁ সততে প্ৰজাৰ দুখত দুখী আৰু প্ৰজাৰ সুখত সুখী হৈছিল। এই কথা তেওঁৰ মুখৰ পৰা কোনোৱে শুনা নাই, কিন্তু তেওঁৰ কাৰ্য্যে তাক বঢ়িয়াকৈ প্ৰমাণ কৰিছিল। সঙ্গতিহীন দুখীয়া প্ৰজাবিলাকে যথা সময়ত ৰজাৰ খাজানা শোধাৰ নোৱাৰিলে তাৰ বাবে সিহঁতক তেওঁ কেতিয়াও টানি নধৰিছিল; যিবিলাক প্ৰজা বাস্তৱতে উপায়-হীন আৰু ৰাজহ দিবলৈ অপাৰগ, সিবিলাকৰ খাজানা তেওঁ আগধৰি নিজৰপৰা শোধাই লৈ পিচত সিবিলাকৰে সৈতে সুবিধা-জনক বন্দৱস্ত কৰি লয়। আৰু একেবাৰে যোত্ৰহীন প্ৰজাক আজৰি বতৰৰ কিছুকাল তেওঁৰ হাতী-গড় প্ৰভৃতি নিজা কাৰবাৰত খটাই আৰু লোকালবোৰ্ডৰ উজু কামত লগাই তেওঁৰ পাবলগা খাজানা উছল কৰাই লৈছিল। এই কাৰণেই তেওঁ কোনো বছৰৰ মৌজাদাৰী কমিচন ঘৰলৈ নিবলৈ নাপাইছিল। আন কি এই বদান্যতাৰ বাবে পিচলৈ তেওঁ ঋণগ্ৰস্ত হব লগাত পৰিছিল। চৰ্কাৰী বিষয়া হৈ তেওঁ এনে উদাৰ আৰু দয়ালু হবলৈ গলে নিজৰ গাৰ ফালে টান পৰে এই কথা জানিও তেওঁ সেই প্ৰকৃতি সলাব নোৱাৰিছিল। আন কি তেওঁৰ পৰম হিতৈষী ওপৰওৱালা কৰ্ণেল মেক্স্ ওৱেল আৰু মিঃ গ্ৰীমুড চাহাবে তেওঁক এই বিষয়ে ভালেমান বুজনি দিও তেওঁৰ সেই স্বভাৱ শুচাব নোৱাৰিছিল।

ঘিণাৰাম বৰুৱাৰ মৌজাদাৰীৰ আগছোৱাত চৰ্কাৰক কুলি দিয়া প্ৰথা প্ৰবল আছিল। সেই সময়ত ৰজাৰ ডাঁবিত পৰি

ৰায়তৰ যোৰ অনিচ্ছা স্বত্ত্বেও অনেকক কুলি দিব লগা হোৱাত তেওঁ অন্তৰে সৈতে সদায় দুখিত হৈছিল। আৰু, সুবিধা পালেই ইংৰাজ হাকিম সকলক তেওঁ এই প্ৰথাৰ বিৰুদ্ধে কব-লৈকো এৰা নাই। এসময়ত মিঃ মেথিউজ চাহাবে তেওঁৰ অন্তৰৰ এই মহৎ ভাব নথৈ শলাগিছিল, আৰু কুলিধৰা নিন্দণীয় প্ৰথা গুচুৰাবলৈ যত্ন কৰিব বুলি তেওঁ মৌজাদাৰ ডাঙ্গৰীয়াক আশ্বাস দিছিল। কিন্তু সেই চাহাব লক্ষীম্‌পুৰত বেচি দিন নাথাকিল গতিকে ঘিণাৰাম বৰুৱাৰ আশাও তেতিয়া পূৰ নহল।

মৌজাদাৰী বিষয় চলোৱাত বাজেও ঘিণাৰাম বৰুৱাই আন সকলো ৰাজকীয় আৰু সামাজিক বিষয়ত যোগ দিছিল, আৰু তাত তেওঁ কাৰ্য্যদক্ষতাৰ চিনাকি দিছিল। বিশেষকৈ, 'লোকাল বোৰ্ডৰ' মেম্বৰ আৰু 'স্কুল কমিটীৰ' সভ্যৰ কামত তেওঁ 'বোৰ্ড' আৰু সভাক বৰ সহায় কৰিছিল। 'স্কুল কমিটীৰ' সভ্যৰ কামত তেওঁক এই পুথি লেখকে ভালকৈ জানে, কাৰণ লেখক সেই সময়ত সেই অঞ্চলত ভালেমান দিন স্কুল সব ইন্‌স্পেক্টৰ আৰু ডেপুটী ইন্‌স্পেক্টৰ আছিল। আৰু এই লেখকে লক্ষীম্‌পুৰত আদি আৰু মজলীয়া শিক্ষা বহলাওঁতে আৰু বঙ্গালী ভাষা গুচাই অসমীয়া ভাষা চলোৱাত ঘিণাৰাম বৰুৱাৰপৰা তেওঁ বৰ সহায় পাইছিল। আৰু "লোকাল বোৰ্ডতো" তেওঁ বহি থাকি "হয়" দিয়া বিধৰ মেম্বৰ নাছিল। কোনো বিষয়ৰ মীমাংসা তেওঁ ভালকৈ বুজিলে আনৰ কথাত হৰিভৰ দি তেওঁ কেতিয়াও মত নিদিছিল। সেই কাৰণে 'বোৰ্ডত' ইৰাজীত আলচ

কৰা বিষয়বিলাক তেওঁক ভাঙ্গি-পাতি বুজাবলৈ এজন ইংৰাজী আৰু অসমীয়া জনা মানুহৰ উপস্থিতিৰ আৱশ্যক হৈছিল। কিন্তু, পাচলৈ এই অসুবিধা গুচাবৰ নিমিত্তে আলোচ্য বিষয়বিলাক ভালকৈ ভাঙ্গি-পাতি অসমীয়াকৈ জাননী দিয়াৰ নিয়ম চলিবলৈ ধৰিলে। বিষয়া জীৱনৰ শেহ ছোৱাত এনে বিলাক বিষয়ত তেওঁৰ অভিজ্ঞতা আৰু অধিকাৰলৈ চাই মিঃ কোহান চাহাবে এসময়ত এনে ভাবৰ মন্তব্য প্ৰকাশ কৰিছিল "ঘিণাৰাম বৰুৱা লক্ষীমপুৰত এজন পুৱণি সাঁচৰ মানুহ। কিন্তু, আজিকলীয়া শাসনবিষয়ক কথাত তেওঁৰ বুদ্ধি আৰু বিচাৰ-শক্তিৰ প্ৰখৰতা দেখি আচৰিত মানিব লগা হয়।"

ঘিণাৰাম বৰুৱাৰ মৌজাত ভালেমান চাহ বাগিছা পৰিছিল। গতিকে কব লাগিব যে তেওঁৰ জনচেৰেক ইংৰাজ বায়তো আছিল। এই সকলৰ লগত তেওঁৰ বৰ সদ্ভাৱ আছিল। প্ৰায় সকলোবিলাক বাগিছাৰ মেনেজাৰ চাহাব সকলে ঘিণাৰাম বৰুৱাক মিত্ৰভাৱে ব্যৱহাৰ কৰিছিল। মিঃ স্মিথ, মিঃ জন ষ্টুৱার্ট, মিঃ ৱীড, মিঃ ক্রো, মিঃ গ্রাণ্ট, মিঃ গ্রেঃ, ডাক্তৰ ক্রেন এই সকল চাহাবৰে ঘিণাৰাম বৰুৱাৰ বৰ প্ৰণয় আৰু মিত্ৰতা আছিল। ইবিলাকৰ সৰহভাগে তেওঁলৈ সেই মিত্ৰতাৰ নিদৰ্শন স্বৰূপ বন্দুক, তৰোৱাল, হাতীবন্ধা শিকলি, বিলাতী জোতা, ঘোৰাৰ জিন প্ৰভৃতি উপহাৰ পঠিয়াইছিল। আৰু কোনো কোনো জনে খাজানা শোধাবৰ সময়ত হাজাৰ হাজাৰ্কৈ বিনা সূদে টকা ধাৰলৈ দি তেওঁক সততে সহায় কৰিছিল।

PLEASE HANDLE THE BOOK CAREFULLY

"ভয়ৰ দাস কৰাতকৈ মৰমৰ ভকত কৰি মানুহৰ অন্তঃকৰণ সহজে লাভ কৰিব পাৰি" ঘিণাৰাম বৰুৱাৰ জীৱনৰ ইও এফাঁকি মূলমন্ত্ৰ। তেওঁ নিজৰ প্ৰজা বা আন কোনো তলতীয়া কৰ্ম্মচাৰীৰ প্ৰতি প্ৰায় উগ্ৰ ব্যৱহাৰ নকৰিছিল; ৰৰঞ্চ, যাক অবাধ্য বা অলপ দুৰ্দ্দান্ত দেখে তাৰ প্ৰতি কোমল ব্যৱহাৰ কৰি তাক বশ কৰাৰ উদাহৰণ তেওঁৰ জীৱনত ভালেমান দেখিবলৈ পোৱা গৈছিল। কৃষ্ণৰাম শইকীয়া নামে ন-কাৰী গাৰঁৰ পটীয়া খেলৰ মানুহ এটাই সততে তেওঁৰ অহিত চিন্তি ফুৰিছিল। কিন্তু ঘিণাৰাম বৰুৱাই তাৰ সলনি সেই মানুহটিক টানত পৰিলেই সহায় কৰিছিল, আৰু কেইবাটাও শকত বিপদৰপৰা তাক ৰক্ষা কৰিছিল। সেইবাবে সেই মানুহটোৱে অৰশ্যে পাচলৈ তেওঁৰ অহিত চিন্তিবলৈ এৰিছিল, যদিচ সি কেতিয়াও তেওঁৰ হিত-চিন্তা কৰা নাই। ঘৰৰ চাকৰ আদি বা আন অধীন মানুহৰ প্ৰতিও তেওঁৰ তদ্ৰূপ ব্যৱহাৰ আছিল। যি চাকৰ বা অধীনৰ মানুহ খঙ্গাল তাৰ প্ৰতি মৰমৰ চেঁচা কথা প্ৰয়োগ কৰি তেওঁ সেই খং পানীকৃত কৰিছিল। ইয়াত বাজেও ঘিণাৰাম বৰুৱাৰ কিছুমান এনে অমায়িক গুণ আছিল যাৰ গুণত তেওঁৰ প্ৰজাবৰ্গ তেওঁৰ প্ৰতি সদায় মুগ্ধ আছিল। তেওঁৰ চাইটা মৌজাৰ ভিতৰত অলেখ অজলা আৰু হোজা প্ৰজাই "আমাৰ মৌজাৰী" বুলি তেওঁৰ প্ৰতি মৰমতে পমি গৈছিল। আৰু প্ৰজা সকলক তেওঁ সকলো কথাতে সততে যেনে উপকাৰ কৰিছিল, সিবিলাকৰপৰাও সেই দৰে তেওঁ

উপকৃত হৈছিল। মৌজাদাৰৰ ঘৰত ৰায়তে খাটি দিয়া প্ৰথা এতিয়া যে নায়েই তেতিয়াও সেই লক্ষীমপুৰতে আন মৌজাদাৰৰ ঘৰত ৰায়তে খাটি দিয়াৰ নিয়ম নাছিল। কিন্তু, ঘিণাৰাম বৰুৱাৰ মৌজাৰ ইতৰ প্ৰজা শ্ৰেণীয়ে তেওঁৰ ঘৰত সততে আগৰ ৰজাদিনীয়া পাইকে বিষয়াৰ ঘৰত খাটি দিয়াৰ দৰে খাটিছিল। ৰাৰহাত দীঘল চতি লগোৱা চাৰি কোঠলীয়া একোটা ঘৰ ভঁড়ালত বছৰি পূৰকৈ থৰৰ জোখাৰে ঘিণাৰাম বৰুৱাৰ পথাৰত খেতি হয়। সেই খেতি মৌজাৰ মানুহে খেলে-খেলে আহি কৰি দিছিল, আৰু খেলে-খেলে মিলি তাৰ উৎপন্ন চপাই দিছিল। খেতিৰ দিনত হাল-গৰুৰ সংখ্যালৈ চায়েই নিল-গতে বুজিব পাৰি কাৰ পথাৰত হালবোৰ' হৈছে। ওচৰলৈ গলে, তাৰ ভিতৰত আটাইতকৈ বেচি সৌন্দৰ্য্য এটি দৃশ্যত দেখা যায় যে, কেতিয়াবা মৌজাদাৰ ডাঙৰীয়াও সিহঁতৰ ভিতৰৰে এটি হালোৱা, —ৰায়ত হালোৱাৰে শাৰী পাতি বিষয়ায়ো এখন ম'হৰ হালত ধৰে। নিজে কৰিব পৰা কামত হাত দিবলৈ যে যিমান ডাঙৰ হলেও মানুহে অপমান বোধ কৰিব নালাগে, ঘিণাৰাম বৰুৱাৰ জীৱনত তাৰ বহুত পটন্তৰ পোৱা যায়।

'যি মানুহ যিমান ওপৰলৈ উধায়, তাৰ সিমান শত্ৰুও বাঢ়ে, কিম্বা যাৰ যিমান শত্ৰু বেচি, তাৰ উন্নতিও সিমান বেচি বুলি বুজিব লাগে।' ঘিণাৰাম বৰুৱাৰ জীৱনত এই ফাঁকি কথাও হুবহু মিলাব পাৰি। একপক্ষে তেওঁ যিমান মিত্ৰ আৰু উন্নতি লাভ কৰিছিল, আনপক্ষে তেওঁৰ শত্ৰু আৰু তেওঁৰ অৱনতি

ঘটাবলৈ ছিদ্ৰ বিচৰা মানুহৰ সংখ্যাও তাকৰ আছিল বুলিব নোৱাৰি। কিন্তু, ঘিণাৰাম বৰুৱাই নিজৰ দীৰ্ঘদৃষ্টিৰ গুণেৰে সেই শত্ৰুপক্ষৰ গতি-গোত্ৰ আগধৰি লক্ষ্য কৰি, নিলগৰ ঢৌ নিলগতে মাৰ নিয়াব পাৰিছিল। সেই বাবেই, কোনো সময়ত তেওঁ শত্ৰুৰপৰাও সৰল প্ৰশংসা লাভ কৰিছিল।

ঘিণাৰাম বৰুৱাৰ কুমলীয়া বয়সৰেপৰা তেওঁৰ কোমল অন্তৰত বিষয়া আৰু পাইকৰ সম্বন্ধ বিষয়ে যি এটি ভাব সদায় লুনুমুৰাকৈ আছিল, এই মৌজদাৰী বিষয় খোৱাৰ কালতে সেইভাব কাৰ্য্যত লগাব পৰা হল; তেওঁৰ জীৱনৰ মহৎ কামনা পূৰ হল। কিন্তু, সেই বুলি তেওঁ অলপো অহঙ্কাৰ কৰা নাই; বৰঞ্চ গুটি লগা গছৰ দৰে যিমানেই ঘিণাৰাম বৰুৱাৰ বিষয়ৰ প্ৰতিপত্তি বাঢ়ি আহিল, সিমানেই তেওঁ বেচি সাধু, বিনয়ী আৰু নম্ৰস্বভাৱী হৈ গল। তেওঁৰ ভিতৰুৱা আৰু ৰাজহুৱা জীৱনত কোনোৱে এদিন এফেৰি অহঙ্কাৰৰ চিন দেখা পোৱা নাই। ঘিণাৰাম বৰুৱাৰ নিচিনাকৈ অত্যন্ত কষ্টৰ জীৱনৰপৰা আত্মচেষ্টাত বৰ সুখৰ জীৱনলৈ উঠিও এনে নিৰহঙ্কাৰী হোৱা মানুহ পাবলৈ অতি বিৰল।

বিচাৰকৰ কাৰ্য্যতো ঘিণাৰাম বৰুৱা মৌজাদাৰে উত্তৰ লক্ষীমপুৰৰ অকলশৰীৰ মাজিষ্ট্ৰেটক যে কম সহায় কৰিছিল, এনে নহয়। সামাজিক কথাৰে সৈতে সম্বন্ধ থকা বিষয়, আৰু মাটি-বাৰী কিম্বা আন ঘৰুৱা কন্দলৰ গোচৰ প্ৰায় সকলো বিলাকৰ সোধ ঘিণাৰাম বৰুৱাৰ মৌজাদাৰী চৰাত হৈছিল।

কোনো চিঙ্গিবলৈ টান কথাৰ গোচৰ হলে তেওঁ ঢালিচ চপাই তাৰ বিচাৰ কৰাইছিল। তেওঁৰ বিচাৰ এনে তুখুং আৰু ন্যায় হয় যে পিচত তাত আসোহা ধৰিববলৈ কোনো ফালৰ প্ৰায় বাট নাথাকে, আৰু বিচাৰৰ ফলাফল মাজিষ্ট্ৰেটলৈ তেওঁ এনে দৰে গঢ়ি-পিটি পঠিয়ায় যে তেওঁৰ প্ৰস্তাৱমতে মাজিষ্ট্ৰেটে বা বিচাৰকসকলে আইন নিয়ম বক্ষা কৰি প্ৰায় হুকুম্‌টো মাথোন দিয়ে। এই বাবেও লক্ষীমপুৰৰ বিচাৰক আৰু মহকুমাধিপতি সকলে ঘিণাৰাম বৰুৱাৰ বুদ্ধিৰ প্ৰখৰতা বিশেষকৈ শলাগিছিল। বিচাৰক সকলে পঠিওৱা গোচৰত যাজেও, তেওঁ নিজৰ মৌজাৰ ৰায়ত বিলাকৰ সৰু-সুৰা সোৱাবিলাক যাতে পঞ্চায়তৰপৰা নিষ্পত্তি হব পাৰে তাৰ নিমিত্তে তেওঁ সদায় যত্ন কৰিছিল। অলপমান কথাতে কাছাৰি সৰ উঠি গোচৰীয়া আৰু পদকাৰাই যাতে অবাবত ধন ভাঙ্গি কলৌজপৌ নালাগে তাৰ নিমিত্তে তেওঁ ৰায়তবিলাকক সততে সজ উপদেশ দিছিল। ইয়াৰ ফল স্বৰূপে ঘিণাৰাম বৰুৱাৰ মৌজাৰ ৰায়তৰ ভিতৰত সৰু-সুৰা কথাত আদালতত গোচৰ কৰা মানুহ প্ৰায় নোহোৱা হৈছিল। অথন্তৰত পৰি অকলশৰীয়াকৈ উফৰি অহা প্ৰতিভাৰ ফিৰিঙ্গাত এটি যে কালত এনে জেউতিৰে বিকাশ পাব তাক কোনে ভাবিছিল!

৭। আধ্যা।

আর্জ্জন আৰু ভগন।

ঘিণাৰাম বৰুৱা জয়ে জয়ে সংসাৰত সোমাওঁতে তেওঁৰ ধন সম্পত্তি একোৱেই নাই। ওপৰতে কৈ অহা হৈছে যে, তেওঁ কোৱঁৰৰ জীয়াৰী দুগৰাকী বিয়া কৰোৱাৰ পাচত, তেওঁৰ গুণৱতী শাহুয়েকৰপৰা ধন-সম্পত্তি আৰু মাটি-বাৰীৰ অংশ এটা লাভ কৰে, সেই অংশত তেওঁ নগদ একো পোৱা নাই, পাইছিল মাত্ৰ পুৰাচেৰেক ৰুপীত আৰু বস্তি মাটি, ১০।১২ জনী গাই আৰু দুহাল হালোৱা গৰু, ৬।৭ জনী মাইকী আৰু এহাল মতা ম'হ। ইয়াত বাজে তেওঁৰ তিনি জন খুলশালিয়েকৰ তিনি অংশও তেওঁৰেই চলাব লগা হৈছিল। এই অলপীয়া সম্পত্তিৰ পৰাই বুদ্ধিমান ঘিণাৰামে দিনক দিনে তেওঁৰ আৰ্থিক অৱস্থাৰ উন্নতি কৰিবলৈ ধৰিলে। এনে কি, মৌজাদাৰী বিষয় লোৱাৰ দহ বছৰৰ পাচত, তেওঁ এজন সম্পত্তিশালী লোকৰ লেখত উঠিল আৰু এই সময়ৰ ভিতৰতে তেওঁ বাৰীমাটি এৰিও ২৫ পুৰা ৰুপীত মাটি, ৪০ জনী গাই, ৮ হাল বলদ, ৫০ জনী মাইকী আৰু ৬ হাল মতা ম'হ, এহাল ঘোঁৰা, দুখন দোলা, তিনটা ভঁড়াল, ডেকুৰি ছাগলি এই বিলাক বাহিৰা সম্পত্তি আৰ্জ্জন

কৰে। ইয়াৰ লগে লগে ভিতৰুৱা অলঙ্কাৰ পাতিবে তেওঁ বৰ চহকী হৈ উঠে। ইয়াত বাজেও তেওঁ তিনিজন খুলশালিয়েকক নিয়মায়া অলঙ্কাৰ পাতিবে সৈতে এই সময়ৰ ভিতৰতে বিয়া কৰাই দিয়ে। আৰু সিবিলাকৰ সম্পত্তিও ইয়াৰ লগে লগে ভগাই দিয়া হয়।

ওপৰত কোৱাৰ দৰে আৰু বহুৰচেৰেক নিজৰ অৱস্থাৰ ক্ৰমোন্নতি কৰাৰ পাচত, খৃঃ ১৮৭৪ চনত ঘিণাৰাম বৰুৱাই হাতীৰ কাৰবাৰলৈ মন মেলিলে। এই অৰ্থে তেওঁ লক্ষীমপুৰৰ আমোলা আৰু আন ভাল মানুহ কিছুমানৰপৰা অংশ গোটাই এটা যুটীয়া হাতীৰ গড় মাৰিলে।এই কাৰবাৰৰ প্ৰতি অংশৰ মূল্য দহ টকাকৈ ধৰা হৈছিল। ইয়াৰ ভিতৰত কোনোৱে এটাত,কৈ বঢ়ায়ো অংশ লৈছিল। আৰু এই অংশ বিক্ৰীৰপৰা মোট ৫০০৲ টকা উঠিল। এই টকাৰে সৈতে ঘিণাৰাম বৰুৱাই তেওঁৰ মৌজাৰ ৰায়ত লগাই বৰ সুবিধাজনক ঠাইত এটা হাতীগড় মৰালে। অৱশ্যে ৰায়তকো এটা ৰাজহুৱা ভাগ দিয়া হৈছিল। যথাসময়ত গড় তৈয়াৰ হল, আৰু ঘিণাৰাম বৰুৱাই নিজে গড়ত থাকি ৰায়তৰ হতুৱাই হাতী খেদাবলৈ ধৰিলে। পিচে, কেই-বাবাৰো হাতী আহি গড়ৰ মুখত কুলা ভাঙ্গি এৰাই যায়। অৱ-শেহত ঘিণাৰাম বৰুৱাই গোটাচেৰেক সাহিয়াল ডেকাক হাতে-হাতে একোটা বন্দুক দি, সিহঁতৰ লগতে নিজেও বন্দুক ধৰি কুলা-ৰখীয়া হলগৈ। যেতিয়া হাতীৰ পাল আহি গড়ৰ মুখ চাপিলেহি, তেতিয়াই আগৰ দৰেই আঁঠ হতীয়া গণেশ এটাই

বৰুৱা ডাঙৰীয়া নিজে ৰখীয়া থকা ফালেই কুলা ভাঙ্গি যাবৰ উপক্রম কৰিছিল। কিন্তু, ঘিণাৰাম বৰুৱা ভয়ত আঁতৰি হাতীক বাট এৰি দিয়া বিধৰ লোক নহয়। তেওঁ বিষম সাহসেৰে গণেশৰ কাণৰ কাষত ৰাইফেল বন্দুকৰ জাঁই উৰাই দিলে, আৰু সেই একে জাঁইতে গণেশে ঠেলামাৰি গোটেই জাক হাতী গড়ত সুমুৱাই দিলেগৈ। এই পালৰ ভিতৰত গণেশক ৰি ৩৩ টা হাতী আছিল। ইয়াৰ পাচত, গণেশৰ প্রতাপত গড়ৰ হাতী উলিয়াবলৈ কুন্‌কী সুমুৱাব নোৱাৰাত পৰিছিল। পিচে, তিন দিন চল চাই থাকি, ঘিণাৰাম বৰুৱাৰ কৌশলমতে গণেশক দুৱাৰ মেলি উলিয়াই পঠিওৱা গল, আৰু বাকী বিলাক হাতী লাহে-লাহে গড়ৰপৰা উলিওৱা হল। এই হাতীৰ কাৰবাৰত বহুতৰ লাভ হল। ঘিণাৰাম বৰুৱাই হাতী বেচা নগদ টকাৰ ভাগ নলৈ, তেওঁৰ বাছনিমতে এজনী চাৰিণ হাতী ভাগত মাৰি লয়। আৰু তেওঁৰ প্রিয়-বন্ধু ৺ হলিৰাম বৰুৱা হেড্‌ক্লার্কে (পাচত মুখ্ফিপ) তেওঁৰ লচ্‌মণী নামে হাতীৰে সৈতে এই হাতী জনী শিকাই-মেলি ঘৰচীয়া কৰি দিয়ে। এইয়ে উত্তৰ লক্ষীম্‌-পুৰৰ সকলোৰে জনাজাত "জয়মতী" হাতী। প্রকৃততে এই জয়মতীয়েই ঘিণাৰাম বৰুৱাৰ ঘৰত লক্ষ্মী সোমাই তেওঁক ধনে-মানে দোপত-দোপে তুলি নি এজন বৰ চহকী লোক কৰে।

যেই সেই কামতে ঘিণাৰাম বৰুৱা একাগ্রচিতীয়া লোক আছিল। তেওঁ হাতীৰ কাৰবাৰত এবাৰ হাত দি তাৰপৰা আৰু হাত নেৰুৱালে। জয়মতী হাতী সম্পূর্ণে ঘৰচীয়া হোৱাৰ

পাচত, তেওঁ ৺জিউৰাম শর্ম্মা বৰুৱা পেঞ্চন প্রাপ্ত পুলিচ ইন্‌স্পেক্টৰ আৰু সেখ বগৰূপ মছলমানৰ লগত যুটীয়াকৈ হাতী কাৰবাৰত লাগি, মেলা চিকাৰত আগ বাঢ়িবলৈ ধৰিলে, আৰু এই চিকাৰত জয়মতী হাতীৰ নাম কেইওফালে ৰাষ্ট্ৰ হৈ উঠিল। এনে কি, জয়মতীৰ বান্ধ, লক্ষণ আৰু গুণলৈ চাই তাইৰ সলনিত ইং ১৮৭৭ চনত ডিব্ৰুগড়ৰ ৺সাধনৰাম ৰায় বাহাদুৰ চিৰস্তাদাৰে তেওঁৰ মতিলাল নামে বৰ ডাঙ্গৰ দঁতাল আৰু দুজনী মাইকী হাতী যাচিছিল; কিন্তু ঘিণাৰাম বৰুৱা সেই প্রস্তাৱত মান্তি নহল। তাৰ পাচে, এই জয়মতীৰ বলতে ঘিণাৰাম বৰুৱাই হাতীৰ কাৰবাৰত ক্রমাৎ উন্নতি কৰিবলৈ ধৰিলে, আৰু ১০।১২ বছৰৰ ভিতৰত তেওঁৰ ঘৰত ৮টা কুন্‌কী হাতী হল।

হাতীৰ কাৰবাৰৰ লগতে ঘিণাৰাম বৰুৱাৰ অন্যান্য সম্পত্তিও দিনক দিনে বাঢ়িবলৈ ধৰিলে। খৃঃ ১৮৭৮ চনত, মৌজাৰ জামীন দিয়া-থোৱাৰ সম্পর্কত এবাৰ তেওঁৰ সম্পত্তিৰ লেখ লোৱা হৈছিল। তেতিয়া ঘিণাৰাম বৰুৱাৰ আর্জ্জিত সম্পত্তিৰ ভিতৰত ৯টা হাতী, ৫টা ঘোঁৰা, ১২০ জনী মাইকা আৰু ৮ হাল মতা ম'হ, ৮০ জনী গাই, ১০ হাল বলদ, ৩০টা ছাগলি, ১৫০ পুৰা মাটি, ৪টা বৰভঁড়াল, ৩টা সৰুভঁড়াল, ৪ খন দোলা, ৩ খন নাও, ৩ খন গাড়ী, ৫০০০৲ টকাৰ অলঙ্কাৰ, ৩০০০৲টকাৰ বাহিৰা বয়-বস্তু লেখত ওলাইছিল। আৰু মোটৰ ওপৰত নগদ্‌কৈ ধৰিলে সেই সময়ত ঘিণাৰাম বৰুৱাৰ লাখ টকাৰ ওপৰ আর্জ্জন হৈছিল। জাজিৰপৰা নিঠৰুৱা হৈ জাগি ঘোৱা ঘিণাৰামে পৰৰ

ঘৰত ডাঙ্গৰ দীঘল হৈ ৩৲ টকীয়া দৰ্ম্মহাৰ কামত সংসাৰ আৰম্ভ কৰি নিজৰ বুদ্ধি, কৌশল, পৰিশ্রম আৰু অধ্যৱসায়ৰ বলত এজন লাখটকীয়া মানুহ হৈ জিলিকি উঠিল !

ওপৰত লেখ দিয়া সম্পত্তিৰ আৰ্জ্জনত বাজেও, ঘিণাৰাম বৰুৱাই আৰ্জ্জন কৰা ধন-সম্পত্তি তেওঁৰ চাৰিজন পুত্রক শিক্ষিত কৰোঁতে আৰু চাৰিগৰাকী জীয়াৰীক বিয়া দিওঁতে তেওঁ মুকলি হাতেৰে ভাঙ্গিছিল। চাৰিওজন পুতেকৰ শিক্ষাৰ নিমিত্তে কাৰ গাত কিমান ভগন হৈছিল, তাৰ এটা হিচাপ বুঢ়া বৰুৱা ডাঙ্গৰীয়াই মৰণৰ মাহচেৰেকৰ আগেয়ে তেজপুৰলৈ যাওঁতে এই দৰে দিছিল ;—বৰপুত্র ৺ মোহনচন্দ্রৰ গাত ২৫০০৲; বৰ-ম.জিউ শ্রীকণনাথৰ গাত ৫০০৲ ; মাজিউ পুত্র শ্রীনীলকণ্ঠৰ গাত ৪০০০৲ ; সৰু-মাজিউপুত্র শ্রীপদ্মনাথৰ গাত ৫০০০৲ ; আৰু নুমলীয়া পুত্র শ্রীমুক্তানন্দৰ গাত ১৫০০৲ টকা নগদ ভগন হৈছিল। জীয়েক চাৰি গৰাকী বিয়া দিওঁতেও ঘিণাৰাম বৰুৱাই সাধাৰণ ৰূপে ভগন কৰা নাই। বৰ জীয়েক ৺ মাহিন্দ্রী বৰ আইদেওক এই লেখকৰ প্রিয়তম বন্ধু ৺ কৃষ্ণানন্দ বুঢ়া-গাহাঁইদেওলৈ বিয়া দিওঁতে, তেওঁ যৌতকত ১ এটা হাতী, ১ এজনী ঘোঁৰা, ৩জনী ম'হ, ৪জনী গৰু, এখন সম্পূর্ণ ঘৰ চলাকৈ সকলো লাগতিয়াল বয়-বস্তু, এজোৰ সোণৰ বাখৰামী শচৰীয়া ৰাৰু, আৰু ভদ্র তিৰোতাৰ লাগতিয়াল প্রত্যেক বিধ অলঙ্কাৰৰ দুই পদকৈ দান কৰিছিল। ইত্যাদি খৰচ মুঠকৈ ধৰিবলৈ গলে, ঘিণাৰাম বৰুৱাই বৰজীয়েকৰ লগত কমকৈও ৭০০০৲ মান টকা

ভগন কৰিছিল। ইয়াকে চাই, বাকী তিনি গৰাকী জীয়েকৰ গাত কিমান খৰচ মোটামুটীকৈ পৰিব পাৰে, তাক অনুমাণ কৰিব পাৰি। এতিয়া হিচাপ কৰি চালে দেখা যায় যে, পুতেক আৰু জীয়েক সকলৰ ভৱিষ্যৎ উন্নতি আৰু কল্যাণৰ অৰ্থে ঘিণাৰাম বৰুৱাই ৪০০০০৲ মান টকা ভগন কৰিছিল, আৰু এই টকাও তেওঁ নিজৰ বুদ্ধি, পৰিশ্রম আৰু অধ্যৱসায়ৰ বলবেহে আৰ্জ্জিছিল। আৰু, ইমানলৈকে বাহিৰা উৎপন আৰু ভগনৰ হিচাপত ঘিণাৰাম বৰুৱাৰ আৰ্জ্জন ডেৰ লাখ মান টকা হয়। ইয়াত বাজেও মৰণৰ পাচত, তেওঁ অৰ্জ্জিত ধন আৰু নগদ কিমান থৈ যায়, সেই বিষয়ে আমি নাজানো। এতেকে, দুখৰ সোতঁত উটি গৈ নিঠকৰা হোৱা নিকুটুমীয়া মৰাণ বৰুৱাৰ তোলনীয়া বংশধৰ ঘিণাৰাম বৰুৱা তেওঁৰ জীৱনত নিজৰ সৎ-বুদ্ধি, পৰিশ্রম আৰু অসাধাৰণ অধ্যৱসায়ৰ বলেৰে মোটৰ ওপৰত দুইলাখ টকা আৰ্জ্জন কৰি, পৃথিবীত সজপথত চলি আপোন চেষ্টাৰে মানুহ (Self-made man) হোৱাৰ এটা উৎকৃষ্ট পটন্তৰ হৈ ৰৈ গল।

পুত্র-কন্যাৰ ভৱিষ্যৎ উন্নতিৰ অৰ্থে ঘিণাৰাম বৰুৱাই যেনে মুকলিহতীয়াকৈ ভগন কৰিছিল, তালৈ চাই তেওঁক লোকে বৰ খৰচী মানুহ বুলি জানিছিল। আৰু, বিশ্বাসী এজন বন্ধুৰপৰা শুনা গৈছিল, যে এদিন এজন তেওঁৰ সৰু ভায়েকৰ তুল্য মৰমৰ বন্ধু ৺ সিদ্ধেশ্বৰ গগৈ চিৰস্তাদাৰে অলপ আচৰিত ভাৱে সুধিছিল, "ককাইদেও! আপুনি এতিয়া ইমান মুকলিহতীয়া হৈ

চলিলে, আগলৈ আপোনাৰ সঞ্চিত ধন কি থাকিবগৈ ? আৰু আপুনি একোজনী জীয়াৰী উলিয়াই দিওঁতে যদি ইমান কৈ ভাঙ্গিব লাগিল, তেন্তে পাচত আপোনাৰ ল'ৰালৈ কি ৰবগৈ ?" ঘিণাৰাম বৰুৱাই এই কথাৰ উত্তৰ হাঁহি হাঁহি দিলে, "বোপা ! এই কথাত তুমি আচৰিত মানিবৰ একো কাৰণ নাই। মোৰ কৰ্ত্তব্য মই কৰিছোঁ, পাচত মোৰ লৰা-ছোৱালীয়ে ইয়াৰ গুণ ধৰাৰ পাৰিলে সিহঁতৰ মঙ্গল, নোৱাৰিলে সিহঁতৰ অমঙ্গল হব। তুমি ঠিক জানিবা, 'বাপৰ ধনেও নাটে, পাপৰ ধনেও নাটে।' কিছুমান সঞ্চিত ধন ৰাখি থৈ গৈ ল'ৰাৰ ভৱিষ্যৎ ভাল কৰিব পাৰি এনেও নাভাবিবাঁ। এই জীবনত বহুত দেখিলোঁ, বাপৰ ধনেৰে চহকী নহৈ, শেহন্তত ল'ৰাই বংশৰ নাম নুমুৰায়। এতেকে পিতৃৰ আর্জ্জন, মোৰ মনেৰে, ধনকৈ নথৈ, তাৰে সৈতে পুত্রক জ্ঞান-গুণ কিনি দি যোৱাটোহে জ্ঞানীৰ কাম। আৰু যে মোৰ ছোৱালীহঁতৰ লগত ভগন কৰাৰ কথা কৈছোঁ, সেইটোও মোৰ কৰ্ত্তব্যৰ ভিতৰ। কিয়নো, সন্তান বুলিলে ল'ৰা, ছোৱালী দুয়োকে বুজায়। এতেকে পিতৃৰ আর্জ্জনৰ ওপৰত দুয়োবিধ সন্তানৰ সমান অধিকাৰ। মোৰ ল'ৰাক শিক্ষা আৰু জ্ঞান লাভ কৰি দিয়াত মই যথেষ্ট অর্থ ভাঙ্গিছোঁ, কিন্তু ছোৱালীক উপযুক্ত বৰ লাভ কৰি দিবলৈ ল'ৰাৰ সমানে নাভাঙ্গিলে মোৰ অধৰম হব, সেই কাৰণে, লৰাৰ শিক্ষালাভত ভগন কৰাৰ সমানে ছোৱালীক যৌতুকত ধন-বস্তু দিয়া আৰু উপযুক্ত বৰ লাভত খৰচ কৰাটো নিতান্ত উচিত। তথাপি যদি কোৱাঁ, পুত্র

বংশধৰ কাৰণে সি ছোৱালীতকৈ সৰহ ভাগৰ গৰাকী হোৱা উচিত, তেনে হলেও ঠিক হৈছে ; কাৰণ, উলিয়াই দিয়াৰ পাচত ছোৱালীয়ে আৰু পিতৃ-সম্পত্তিৰ ভাগ লবলৈ নাহে।” এই উত্তৰ শুনি চিৰস্তাদাৰে ধন্য ধন্য কৰিবলৈ ধৰিলে। কিন্তু, যদিও এনেবিলাক আৰু এনে আন ডাঙৰ কামত খৰচ কৰোঁতে তেওঁ মুকলিহতীয়াকৈ চলিছিল, তথাপি ঘিণাৰাম বৰুৱা অবাৰত খৰচী নাছিল। বৰঞ্চ, অবাৰত ভাঙ্গিবলৈ হলে, পইচা এটিও তেওঁৰ হাতৰপৰা সৰকি নপৰিছিল। স্বৰূপার্থত, ঘিণাৰাম বৰুৱা নিয়মীয়া ভগন কৰোঁতাৰো এটি অনুকৰণীয় পটন্তৰ আছিল।

৮। আধ্যা।

জীৱনৰ গোটাচেৰেক প্রধান ঘটনা।

পুৰুষৰ থাকিবলগীয়া গুণ।

সামৰণি।

সৰুৰেপৰা সাঁতৰা বিদ্যাত ঘিণাৰাম বৰুৱা বৰ পৈণত আছিল। গতিকে, কেইবাবাৰো তেওঁ পানীত পৰি ৰক্ষা পৰিছিল। আৰু পুলিচত চাকৰি কৰোঁতে, তেওঁ এবাৰ সোৱনশিৰীৰ অতি উজনী ভাগৰপৰা জনচেৰেক অপৰাধী গাচি মিৰিক কয়েদ কৰি ধৰি আনিছিলগৈ। তেওঁৰ লগত দুজন চিপাহী

আছিল। পিচে, মিৰিহঁতে গোপনে বুদ্ধি কৰি সোৱনশিৰীৰ ঘৰ কোবাল আৰু বহুল এভাগত পাৰি দিওঁতে সোঁ মাজতে নাও বুৰাই দিছিল। নাও বুৰিলত মিৰিহঁত সাঁতুৰি পলাল, আৰু চিপাহী দুটা নৈৰ কোবাল সোঁতত ঘৰ নোৱাৰি ডুবি মৰিল; কিন্তু, ঘিণাৰাম বৰুৱাই চৰ্কাৰী কাগত-পত্ৰ সোপাই সৈতে সাঁতুৰি ইপাৰ উঠিলহি। তাৰ পাচত, তেওঁ উত্তৰ লক্ষীমপুৰৰ ষ্টেচনলৈ আহি সমুদায় ঘটনা ওপৰৱালাক জনাই, আকৌ তিনটা চিপাহী লৈ সেই পলৰীয়া মিৰি কেইটাক বিচাৰি গল আৰু প্ৰায় একপক্ষ কাল বহু কষ্টে বিচাৰি ধৰি অপৰাধীক থানাত হাজিৰ কৰিহে তেওঁ ক্ষান্ত হৈছিল।

গছত উঠাৰ পাকতো ঘিণাৰাম বৰুৱা সৰুৱেপৰা ঘৰ পাগত আছিল। এই ফেৰি বিদ্যা নথকা হলে, মাজ বয়সতে তেওঁৰ জীৱন অন্ত পৰিবৰ কথা হৈছিল। এসময়ত জয়মতী হাতী হাৰিত মেলি দিয়াৰপৰা এসপ্তাহমান মাউতে বিচাৰি নোপোৱা হৈছিল। পিচলৈ হাতীৰ দণ্ডী বিচাৰি নোপোৱাত পৰিল, সকলোৱে জয়মতীৰ আশা এৰি দিব লগা হৈছিল। কিন্তু, ঘিণাৰাম বৰুৱা হঠাতে হতাশ হোৱা মানুহ নাছিল। তেওঁ মাউতক লগত লৈ নানা ফালে নিজে বিচাৰিবলৈ ধৰিলে। এদিন তেওঁ হাতী বিচাৰি গৈ গৈ কাকৈ নৈৰ উজনীত এখন অটব্য জাৰণিত সোমালগৈ। এনেতে জয়মতীৰ কেচা দণ্ডী দুফালে দুটা ফাটি যোৱা পালেগৈ। এই খিনিতে ধনী আৰু মাউত দুয়ো দুফাল হল। আৰু অনপমান গৈয়ে ঘিণাৰাম বৰুৱা

এটা ভয়ঙ্কৰ গল্‌ধন ধৰা বনৰীয়া ম'হৰ আগত পৰিলগৈ। ম'হে মানুহ দেখামাত্রে ধপলিয়াই খেদি আহিল। ওচৰত জাৰণিৰ মাজত গজা এজোপা পোলোঙা গছ আছিল। ঘিণাৰাম বৰুৱাই একেলবে সেই গছৰ ওচৰ চাপি ডেৰকুৰিহাতমান পোলোঙা গা-গছেদি উঠি এটা পেৰেঙ্গনিত বহি ললেগৈ। পিচে, খঙ্গত শিঙেৰে গছকে গদিয়াই ম'হ আঁতৰ হল। তাৰ পাচত বৰুৱা নামি আহি আকৌ সেই বাটেই আৰু কিছুমান আগবাঢ়ি গৈছে, এনে তে জয়মতীয়ে গুৰ্‌ গুৰ্‌কৈ সম্ভাষণ জনালে। বাস্তৱতে জয় তাঁ এজনী মানুহ যেন হাতী। তাই ঘিণাৰাম বৰুৱাৰ বৰ ভক্ত আছিল। তেও 'বৈঠ' বোলা মাত্রে তাই বৈঠ পৰিল। পিচে, তেওঁ নিজেই বান্দা খুলি লৈ ওপৰত উঠিল। আৰু মাউতকো বিচাৰি লৈ ঘৰ ওলালহি।

বন্দুক চলোৱাত ঘিণাৰাম বৰুৱা এজন হাত-ঠিক লোক আছিল। আৰু তেওঁ এনে চিকাৰী আছিল যে চৰাই বা পহুৰ চিকাৰলৈ গৈ তেওঁ কেতিয়াও শুদা হাতে উলটিব লগাত নপৰিছিল। তেওঁৰ ডেকা কালত সময়ে সময়ে পহু খোজনীয়া মানুহেৰে তেওঁৰ ঘৰলৈ দিনটো লালি নিছিগিছিল, আৰু পহু বিলনীয়া মানুহে ভদ্রলোকৰ ঘৰে ঘৰে ফুৰিছিল। সি যি হওক, ঘিণাৰাম বৰুৱাৰ চিকাৰত অব্যর্থ লক্ষ্যৰ বিষয়ে ভালেমান চিকাৰী চাহাবে তেওঁক নথৈ শলাগিছিল। এসময়ত চিলনী বাগিছাৰ মেনেজাৰ মিঃ বীড চাহাবে সৈতে তেওঁ পানীগাৰঁৰ হাবিত গঁড় মাৰিবলৈ গৈছিল। পিচে, মাটিযে গৈ দুয়ো দুফালৰপৰা

গঁড়ক লক্ষ্য কৰোঁতেই সি এক গুলি খাই চাহাবক গৰাহ মাৰি ধৰিলেহি। এনে অৱস্থাত জন্তুটোৰ গালৈ গুলি মৰাও নিষ্কণ্টক নহয়। কিন্তু, ঘিণাৰাম বৰুৱাৰ অসাধাৰণ ধৈর্য্যতা আৰু অব্যর্থ লক্ষ্যৰ গুণত একেগুলিয়ে গঁড়ক লুটিয়াই পেলাই তেওঁ চাহাবৰ প্ৰাণ ৰক্ষা কৰিলে। পিচত মিঃ বীডে এই চিকাৰৰ বিষয়ে যি দৰে বর্ণাই ঘিণাৰাম বৰুৱা ডাঙৰীয়াক শলাগি এখন পত্ৰ দিছিল, তাক পঢ়িলে গা ৰোমাঞ্চিত হৈ যায়।

ঘিণাৰাম বৰুৱাৰ অসাধাৰণ সাহ। ডেকা কালত তেওঁ ভুত, পিশাঁচ বা দেৱতাই ধৰা ইত্যাদিলৈকো ভয় নকৰিছিল। তেওঁ পুলিচত কাম কৰোঁতে খৃঃ ১৮৫৭ চনত অসমদেশ জুৰি ভয়ানক-ৰূপে মাটখ লাগিছিল। সেই সময়ত লক্ষীমপুৰত মৰা মানুহ কাউৰী শগুণে খাইছিল, ইঘৰে সিঘৰৰ বা-বাতৰি লওঁতা নোলাইছিল, সন্ধ্যা হলেই নিজ নিজ ঘৰত দুৱাৰ দাংদি সোমোৱা হৈছিল। এনে দিনত ৰাতি অকলে, হাতত এডাল বাঁহৰ টোকোন লৈ ঘিণাৰাম বৰুৱা ঘৰে ঘৰে ফুৰিছিল, আৰু অনেক মৃত্যুমুখী ৰোগীৰ মুখত তেওঁ পানী দিছিল। তেওঁৰ এনে সাহসীৰ কার্য্য দেখি আনবিলাক স্তম্ভিত হৈছিল, আৰু তেওঁৰ অন্তৰৰ কোমল ভাব অনুভৱ কৰি সকলো মুগ্ধ হৈছিল।

ঘিণাৰাম বৰুৱাৰ বন্ধুতা অকৃত্রিম আছিল। তেওঁ যাক প্ৰাণে সৈতে ভাল পাইছিল, তাৰ নিমিত্তে তেওঁ প্ৰাণ দিবলৈকো ওলাব পৰিছিল। বন্ধুৰ উপকাৰৰ নিমিত্তে তেওঁ স্বাৰ্থত্যাগ কৰাৰ ভালেমান উদাহৰণ দিব পাৰি। অনেক বন্ধুৰ সলনি

লগা হৈ তেওঁ অনেক ভৰিব লগা হৈছিল, তাৰ উদাহৰণলৈ ইয়াত ঠাইৰ নাটনি। ঘিণাৰাম বৰুৱাৰ পৰম উপকাৰী "বামুণ দাৰোগা"ৰ পুতেক৺ গদাধৰ শৰ্ম্মা বৰুৱা তেওঁৰ পিতৃ-বিয়োগৰ পাচত, এটা শকত গোচৰত পৰি চেচনৰ বিচাৰাধীন হৈছিল। ঘিণাৰাম বৰুৱাই বহু অর্থ ভাঙ্গি গুৱাহাটীত নিজে গৈ আপীল কৰি তেওঁৰ বন্ধুক মুক্তি দিয়ালে। এই বাবে, চর্কাৰী বিষয়া বুলি, তেওঁৰ নিজৰ গাতো অলপ চেকা পৰি তেওঁৰ অনিষ্ট ঘটিল, কিন্তু ঘিণাৰাম বৰুৱাই তালৈ কটাহিকে নকৰিলে। তেওঁৰ দুখৰ কালৰ বন্ধু ৰেপন গগৈ পাচত বৰ দুৰৱস্থাত পৰা দেখি, তেওঁক জীৱনৰ শেহছোৱাত পেঞ্চন দিয়াৰ দৰে ঘিণাৰাম বৰুৱাই ভৰণ-পোষণৰ এটা বন্ধা খোৰাকী দি আছিল। মিঃ পেনী নামে এজন ইউৰেচীয়ান চাহাব তাহানিতে লক্ষীমপুৰত আছিল। এতিয়া যত আস্পতাল বহিছে তাৰ উত্তৰ-পচিমে থকা দীঘলী পুখুৰীটোৰ পাৰৰ পমা গছজোপাৰ উত্তৰে সেই চাহাবৰ বঙ্গলা আছিল। তেওঁ ঘিণাৰাম বৰুৱাৰ এজন বন্ধু। পিচে, আনবিলাক ইউৰোপীয়ান চাহাবে তেওঁক দেখিৰ নোৱাৰি অত্যাচাৰ কৰা দেখি, ঘিণাৰাম বৰুৱা সদায় তেওঁৰ সহায় আছিল। এই বাবে বৰুৱা ডাঙ্গৰীয়া নিজেও বিষম ক্ষতি-গ্রস্ত হব লগাত পৰিছিল। এনে কি, মহকুমাৰ গৰাকী চাহা-বেও সেই বাবে বৰুৱাক বেয়া পোৱা হৈছিল। কিন্তু, ঘিণাৰাম বৰুৱাই সেই ইউৰোপীয়ান সকলে বেয়া পাই তেওঁক বেয়া কৰাতকৈ বন্ধুক বেয়া কৰাটো বেচি অসহনীয় বোধ কৰিলে।

ঘিণাৰাম বৰুৱা বৰ ক্ষমাশীল লোক আছিল। অনেক সময়ত তেওঁ শত্রুকো ক্ষমা কৰা দেখা গৈছিল। ওপৰত কোৱা হৈছে, ন-কাৰী মৌজাৰ পতীয়া চুবুৰীৰ ৺কৃষ্ণৰাম শইকীয়াই সততে তেওঁলৈ শত্রুতা আচৰণ কৰিছিল, কিন্তু ঘিণাৰাম বৰুৱাই তাৰ সলনিত কৃষ্ণৰামক কেইবাটাও শকত বিপদৰপৰা ৰক্ষা কৰিছিল। অথচ, দুষ্টক দমাৰ লাগে, এই কথাও তেওঁ মনত ৰাখি চলিছিল। এই কৃষ্ণৰাম শইকিয়াই এবাৰ তেওঁৰ মণ্ডল আৰু গাওঁবুঢ়াক অপমান দিয়াত তেওঁ নসহিলে। ঘিণাৰাম বৰুৱাই তৎক্ষণে এটা টান ৰিপোর্ট দি কৃষ্ণৰামক তিনি মাহলৈ ফাটেকত দিয়ালে। সেই দৰেই ন-কাৰী মৌজাৰ ভাটৌ চুকৰ বামহৰি নামে এটা অকৰা-মুৰীয়া বুঢ়াই মাটিৰ সীমা ফালি নিদিয়াৰ কাৰণে ঘিণাৰাম বৰুৱা মৌজাদাৰক এদিন বিষম অস্ত্রেৰে আক্রমণ কৰিছিল, কিন্তু সেই বাৰলৈ তেওঁ তাক ক্ষমা কৰিলে। তাতে অকৰা বুঢ়াৰ আকল বাঢ়ি সি আন এবাৰ এজন গাওঁবুঢ়াক বহুত বঢ়া বচন বুলি আক্রমণ কৰিছিল। এইবাৰ ঘিণাৰাম বৰুৱাই তাক ক্ষমা নকৰি, নিজৰ বিচাৰত মান হানীৰ ক্ষতিপূৰণ ভৰালে। তাৰেপৰা বুঢ়াও শিক্ষা পাই শান্ত হল। খৃঃ ১৮৮২ চনত এবাৰ ন-কাৰী গাৰ্ডৰ নামঘৰত চিনাতলী বাগিছাৰ গোটা-চেৰেক মদপী বঙ্গালী কুলিয়ে ঘিণাৰাম বৰুৱাক বিষমৰূপে আক্রমণ কৰিছিল। পিচে, তেওঁৰ মহামিত্র সেই বাগিছাৰ মিঃ গ্রাণ্ট্ চাহাবে এই কথাত অত্যন্ত বেজাৰ পাই ডাক্তাৰ ক্রেণ চাহাবৰে সৈতে মৌজাদাৰ ডাঙৰীয়াৰ ঘৰলৈ আহি বহু আক্ষেপ

প্রকাশ কৰিলেহি, আৰু, কুলিহঁতক শাস্তি দিবৰ মনেৰে সিহঁতক চিনাই দিবলৈ চাহাবে তেওঁক বৰকৈ অনুৰোধ কৰিলে। ঘিণাৰাম বৰুৱাই চাহাবৰ অনুৰোধ ৰক্ষা কৰিলে ; কিন্তু অজ্ঞান কুলিহঁতক ক্ষমা কৰিবলৈ আৰু সিহঁতক শাস্তি নিদিবলৈ তেওঁৰো অনুৰোধ চাহাবৰ হতুৱাই ৰক্ষা কৰালে।

মিষ্টাৰ কোহান চাহাবে ঘিণাৰাম বৰুৱাৰ মৃত্যু-সংবাদ পাই তেওঁৰ সন্তপ্ত পৰিয়াললৈ লিখা বুজনি-পত্ৰত এই ভাবে একেষাৰ কৈ সামৰণি মাৰে,—"ঘিণাৰাম বৰুৱা এজন পু�ৰণি কলীয়া আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ, আও-ভাৰৰ লোক আছিল ; কিন্তু তেওঁ আধুনিক আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ আৰু আও-ভাৰৰ মানুহৰ লগতো মন মিলাই বেচ চলিব পাৰিছিল। এইটো তেওঁৰ অসাধাৰণ প্রতিভাৰ চিনাকি মাথোন।" বাস্তৱতে, তেওঁ এজন অতি উদাৰ প্রকৃতিৰ লোক আছিল ; আজি কালিৰ শিক্ষিত ডেকাসকলৰ চলন-ফুৰণত আন বুঢ়া মানুহে যেনে আসোৱাঁহ ধৰে, তেওঁ তেনেকৈ নধৰিছিল। নিজে নিজৰ বিশ্বাসত স্থিৰ থাকি, শিক্ষিত সমাজত সময়ৰ গতি অনুযায়ী সংস্কাৰ ঘটিবলৈকো তেওঁ বাট এৰি দিছিল। তেওঁৰ বৰ জোৱাঁয়েক ৺কৃষ্ণানন্দ গোহাঁই আৰু এই লিখকে এই বিষয়ে তেওঁক বেচ্‌কৈ চিনিছিল। ঘিণাৰাম বৰুৱা এজন উচ্চ শিক্ষা পোৱা লোক নাছিল, কিন্তু তেওঁৰ মন আৰু অন্তৰ ভালেমান শিক্ষিত লোকতকৈও ওখ আৰু পোহৰ আছিল ; পুৰণিকলীয়া মানুহৰ অন্ধবিশ্বাসৰপৰা তেওঁ ভালেমান ওখত ঠাই লৈছিল।

গৃহিণীক গৃহস্থালীৰ সমান ভাগ দি চলা বুঢ়া তৰপৰ মানুহৰ ভিতৰত ঘিণাৰাম বৰুৱা এজন লেখৰ মানুহ আছিল। গৃহস্থী জীৱনত তেওঁৰ সৰুঘৈণীৰে সৈতে তেওঁ প্ৰায় সকলো বিষয়তে পৰামৰ্শ কৰি চলিছিল। আৰ্জ্জন-ভগনৰ মৌখিক জমা-খৰচৰ হিচাপ দুইৰো ভিতৰত সদায় হৈ আছিল। দেনা-পাওনাৰ বিষয়েও গৃহস্থই যি জানে গৃহিণীয়েও সেই বিষয়ে জনাত তাৰ কম নপৰে। কাৰ দেনা কিৰূপে শোধ কৰিব লাগিব, কাৰ পাওনা কিৰূপে আদায় হব লাগিব তাৰ আলোচনা দুইৰো ভিতৰত সদায় হৈ আছিল। কাৰবাৰ সম্বন্ধেও দুইৰো সমান বুজ-বাজ আছিল। বিশেষ্‌কৈ, হাতীৰ কাৰবাৰত গৃহিণীৰ বিনা পৰামৰ্শেৰে গৃহস্থই একো নকৰিছিল। এনে কি, নতুনকৈ ধৰা বনৰীয়া হাতী ঘৰৰ কুন্‌কীলৈ ৰাখিবৰ সময়তো দুইৰো ভিতৰত তৰ্কাতৰ্কী হৈ যিটো স্থিৰ হয় সেইটোহে হৈছিল। এবাৰ এটা বৰ ডাঙ্গৰ গুণ্ডা হাতী ৰখাত মাথোন বৰুৱাই বৰুৱা-ণীৰ অমতে কাজ কৰিলে, কিন্তু সেই হাতীটোৰপৰা পাচত তেওঁ বহুত বেজাৰ, অসন্তোষ আৰু অপমান সহ্য কৰিব লগাত পৰিছিল। অৱশেষত তেওঁক বহু ক্ষতিগ্ৰস্ত কৰি সেই হাতীও মৰি থাকিল। এই বাবে তেওঁ বিস্তৰ অনুতাপ কৰিব লগা হৈছিল, আৰু উপযুক্তা গৃহিণীৰ সজ পৰামৰ্শ অৱজ্ঞা কৰি কাম কৰিলে যে হাতে হাতে তাৰ অশুভ ফল পাবলৈ আছে ইয়াকে তেওঁ তাৰ প্ৰমাণ স্বৰূপ অনেকক কৈছিল।

মৰমৰ ধন-জন, বয়-বস্তুৰ অকাল ক্ষয়ত ঘিণাৰাম বৰুৱাই

অশেষ সন্তাপ সহিব লগা হৈছিল। তাৰ ভিতৰৰ ঘাই-ঘাই গোটাচেৰেকৰ বিষয়ে মাথোন উন্মুকিওৱা গল। পূজনীয়া শাহুৰেক আৰু প্ৰিয়তমা প্ৰথমা ভাৰ্য্যাৰ বিয়োগত ঘিণাৰাম বৰুৱাই পাহৰিব নোৱৰা সন্তাপ পাইছিল। সেই কথা তেওঁৰ মুখে পাচত বহু কাললৈকে শুনা গৈছিল। খৃঃ ১৮৭৬ চনত উত্তৰ লক্ষীমপুৰত ম'হৰ মাউৰ লাগি বহুতৰ ঘৰত তাৰ নোম এডালো নাইকিয়া কৰিলে। সেই বেমাৰেই ঘিণাৰাম বৰুৱাৰো ছকুৰি ম'হৰ ভিতৰত ছজনী মাথোৰ থলেগৈ। যদিচ আকৌ দহ বছৰৰ ভিতৰতে তেওঁ ম'হৰ সেই সংখ্যা পূৰাইছিল, তথাপি বহুদিনলৈকে তেওঁ সেই ক্ষতিৰ বেজাৰ পাহৰিব নোৱাৰিছিল। খৃঃ ১৮৮১ চনৰ পৰা ১৮৮৬ চনলৈকে এই পাঁচ বছৰৰ ভিতৰত বছৰি এটাকৈ ঘিণাৰাম বৰুৱাৰ পাঁচোটা হাতী হঠাৎ ৰোগহৈ মৰে। তাৰ ভিতৰত এটা বহুদামৰ অতি মৰমৰ দঁতাল হাতীৰ নিমিত্তে তেওঁ বৰ বেজাৰ পালে। খৃঃ ১৮৮৩ চনত তেওঁৰ আঁঠোটা ঘোঁৰা একে বছৰতে মৰি অন্ত পৰে। এই বাৰেও তেওঁ এটা টান বেজাৰ পায়। খৃঃ ১৮৭৯ চনত ঘিণাৰাম বৰুৱাৰ ৰৱপুত্ৰ মোহনচন্দ্ৰৰ ডিব্ৰুগৰত অকালমৃত্যু ঘটে। এই বিয়োগৰ সন্তাপৰ জোকাৰণিয়ে তেওঁৰ জীৱনৰ খুটি লৰাই পেলালে। এই বজ্ৰপাত যেন শোকৰ শেলে ঘিণাৰাম বৰুৱাক ভালেমান দিনলৈকে অস্থিৰ কৰি থৈছিল। ইয়াৰ পাচত তেওঁ আকৌ বিয়োগ-সন্তাপৰপৰা কিছুকালৰ নিমিত্তে মাথোন জিৰণি পাইছিল। কিন্তু ঘিণাৰাম

বৰুৱা ধন-জন, সুখ-সম্ভোগ, বিষয়-সম্পত্তি আৰ্জ্জনত যেনে ভাগ্যৱন্ত লোকহৈ উঠিছিল, তেওঁৰ ভাগ্যত সেইদৰে শোক-সন্তাপবো শেষ সীমা পর্য্যন্ত ফলিয়াবলৈ লিখা আছিল। তেওঁ বৰপুত্ৰৰ শোকত যেনে অস্থিৰ হৈছিল বৰজীয়েক ৺ মাহিন্দ্রী আইদেওৰ অকাল-বিয়োগতো সেই দৰে অস্থিৰ হবলৈ পাল পৰিছিল। তদুপৰি, এইকুৰা জুই জ্বলি থাকোঁতেই তিনি বছৰ মানৰ পাচতে বৰুৱা ডাঙ্গৰীয়াৰ বৰপুত্ৰতুল্য অতি চেনেহৰ বৰ জোৱাঁই ৺ কৃষ্ণানন্দ গোহাঁইদেওবো অকাল-মৃত্যু ঘটিল! অতিবৃদ্ধাৱস্থাত এই বজ্ৰসম শোকৰ শেলে বিণাৰাম বৰুৱাৰ প্ৰাণত মাৰাত্মক আঘাত দিলে। তথাপি অসাধাৰণ সহিষ্ণুতাৰে সৈতে ইয়াৰ পাচতো বৃদ্ধ বৰুৱা ডাঙ্গৰীয়াই তিনি বছৰকাল টনকিয়াল ভাৱে জীৱন কটালে। কিন্তু খৃঃ ১৯০৬ চনত তেজপুৰৰ পৰা উলটি গৈ পাওঁতেই তেওঁৰ জীৱনৰ প্ৰধান মায়া জয়মতী হাতীৰো হঠাতে হানি পৰিল। ইয়াৰ পাচত আৰু আথৰ বুঢ়া বৰুৱা ডাঙ্গৰীয়াৰ জীৱনৰ খুটি সমূলি স্থিৰ নোৱোৱাত পৰিল। আৰু এই ঘটনাৰ মাহচেৰেকৰ পাচত ১৮২৯ শঁকৰ (খৃঃ ১৯০৭ চনৰ) ৺জন্মাষ্টমী তিথিত এবেলাৰ মাথোন ভেদ বাঁতিৰ নৰিয়াত ডাঙ্গৰীয়া বিণাৰাম বৰুৱাই ৮৩ বছৰ বয়সত মৰমৰ ভার্য্যা, পুত্ৰ-পৰিয়াল, জী-জোৱাঁই, নাতি-পুতি, আত্মীয়-কুটুম্ব, বন্ধু-বান্ধৱক শোকত থৈ সজ্ঞানে দেহত্যাগ কৰিলে। সেই সময়ত বিণাৰাম বৰুৱা ডাঙ্গৰীয়া উত্তৰ লক্ষীমপুৰত আটাইতকৈ বৃদ্ধ, আটাইতকৈ চহকী আৰু আটাইতকৈ মানী

PLEASE HANDLE THE BOOK CAREFULLY.

মানুহ আছিল। তেখেত ঢকুৱাত উত্তৰ লক্ষীমপুৰৰ সকলো সম্প্রদায়ৰে উমৈহতীয়া ঘাই ধৰনী ভগাৰ নিচিনা হল—তেখেতৰ বিয়োগত লক্ষীমপুৰ জঁয় পৰিল! দেহ-ত্যাগৰ পাচত ৭।৮ ঘণ্টালৈকে ৺ বকুৱা ডাঙ্গৰীয়াৰ পতুলিত, চোতালত, চ'ৰাঘৰত আৰু বুলনীঘৰত সকলো শ্রেণীৰ নগৰীয়া আৰু গাঁৱলীয়া মতা আৰু তিৰুতা মানুহৰ মাজে বিৰদি বাট পাবলৈ নোহোৱা হৈছিল। শৱ-সংস্কাৰৰ নিমিত্তে সমাধিলৈ নিওঁতে আঢ়ৈকুৰিমান গুণগ্রাহী আৰু ভক্ত-বৃন্দৰ ভিতৰত শৱশয্যা একান লৈ হেঁপাহ গুচাবলৈ কহী-আজোৰা লাগিছিল। পিচে, জনচেৰেক মুখিয়াল লোকৰ দিহা মতে ৮ আঁঠজন জ্ঞাতিক প্রথমে কানত লবলৈ দি, তাৰ পাচত প্রত্যেক দহনলৰ অন্তৰে নতুন নতুন আঁঠজনে কানসলনি দিয়াৰ নিয়ম ধৰি শৱ সমাধিলৈ নিয়া হৈছিল; যি শৱ-শয্যা চুৰ নোৱাৰিছিল সি চিতাত লগাবলৈ এডোখৰ খৰি যোগান দিও মনক প্রবোধ দিছিল! বকুৱা ডাঙ্গৰীয়া স্বৰ্গীহোৱাৰপৰা এমাহৰ ভিতৰতে তেখেতৰ স্বনামপ্রসিদ্ধ পুত্র শ্রীমান পদ্মনাথ বকুৱাদেৱে গঙ্গাত পিতৃ-অস্থি লগাই সেই তীর্থস্থানতে মৃতকৰ শ্রাদ্ধাদি ক্রিয়া সম্পাদন কৰি আহিলগৈ।

অন্ত।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.